## Al-Habib

***Al -Habib*** - কি জানেনে?

ই এখন সৰু প্ৰচাৰ পুস্তিকা যাৰ অৰ্থ "**মহান বন্ধু**"। এই পুস্তিকাখনিয়ে আপোনাৰ সংগী বা বন্ধু হোৱাৰ কামনা কৰে। "মহান বন্ধু" বা "প্ৰকৃত বন্ধু" কোন এই বিষয়ে পুস্তিকাখনিত প্ৰতি তিনি মাহত বিভিন্ন লিখনি প্ৰকাশ পায়। ই সঁচাকৈয়ে আপোনাৰ প্ৰকৃত বন্ধু নহবনে? নিশ্চয় হব। কেনেকৈ ?

ক) আপুনি *Dar-Ul-Masih*'ৰ **Friendship Club** লৈ ৫০/ টকা মূল্যৰ যিকোনো নতুন ডাক টিকট পঠাই দিয়ক।

খ) ইয়াত প্ৰকাশ হবৰ বাবে আপোনাৰ সম্পূৰ্ণ নাম, ঠিকনা, বয়স, শিক্ষা আদি উল্লেখ কৰিব। আপোনাৰ প্ৰকৃত বন্ধু কোন -- এই বিষয়ে আপোনাৰ উত্তৰ বা ধাৰণা -- কবিতা আকাৰত লিখি পঠাওক। বিবেচিত হ'লে আমি নিশ্চয় প্ৰকাশ কৰিম।

গ) ইয়াত প্ৰকাশ হোৱা বিষয় বস্তুৰ ওপৰত মতামত দিব পাৰে। নাম, ঠিকনা থকা বিভিন্ন বন্ধু / বান্ধৱীৰ সৈতে চিঠিৰে সম্পৰ্ক স্থাপন কৰিব পাৰে।

ঘ) এই পুস্তিকাখনিৰ পৰাই আপোনাৰ জীৱনৰ প্ৰকৃত বন্ধু ৰূপে হজৰত ঈছা মছীহক আৱিস্কাৰ কৰিব পাৰে। সেয়েহে ***Al-Habib*** সঁচাকৈয়ে আপোনাৰ প্ৰকৃত বন্ধু। ইয়াক পাবলৈ আজিয়েই আমাৰ লগত যোগাযোগ কৰক।

**Friendship Club,**
**Post Box No. 234,**
**Guwahati - 781001**

# পাতনি

**"ইঞ্জিল শ্বৰীফৰ সত্যতা"** কিতাপখনৰ প্ৰথম ইংৰাজী সংস্কৰণ ওলাইছিল ১৯৮০ চনত, ছুইজাৰলেণ্ডৰ **'দি গুড্ ৱে'** অনুষ্ঠানৰ পৰা। *দ্বাৰ-উল-মছীহ*'ৰ জন্ম-লগ্নৰে পৰাই (১৯৯৬ চনৰ) ইয়াৰ অসমীয়া সংস্কৰণৰ কথা চিন্তা কৰা হৈছিল। কিন্তু কিছুমান প্ৰাকৃতিক কাৰণত ইমান দিনে সেয়া সম্ভৱ হোৱা নাছিল। ইয়াৰ প্ৰয়োজনীয়তা উপলব্ধি কৰি প্ৰাৰ্থনাৰে বিভিন্ন শুভাকাঙ্খী সকলৰ পৰা আৰ্থিক অনুদান গ্ৰহণ কৰি ইয়াক অসমীয়ালৈ প্ৰকাশ কৰা হ'ল। কিতাপ খনৰ বিষয়ে পঢ়ুৱৈ সকলক সাধাৰণ ধাৰণা দিব খুজিছো। আমালৈ বহুতো শ্ৰোতাই প্ৰশ্ন কৰিছেঃ পবিত্ৰ কিতাপুল মোকাদ্দাছ হেনো পৰিবৰ্ত্তন কৰা হৈছে। আন কিছুমানে কৈছে, বৰ্ত্তমানৰ কিতাপুল মোকাদ্দাছ হেনো নকল - আচলটো খোদায় বাতিল কৰি বেহেস্তত সংৰক্ষণ কৰি থৈ দিছে। এনেধৰণৰ আৰু বিভিন্ন মনে সজা কাহিনী কৈ তেওঁলোক পাক কালাম কিতাপুল মোকাদ্দাছ পঢ়াৰ পৰা আতৰি থাকে। এই সৰু হাদিছৰ কিতাপত এই ধৰণৰ কিছুমান প্ৰশ্নৰ উত্তৰৰ লগতে সকলোকে এই পাক-কিতাপ সমূহৰ কাষ চাপিবলৈ আহ্বান কৰা হৈছে।

পঢ়ুৱৈ সমাজৰ জ্ঞাতাৰ্থে জনাওঁ যে, এই কিতাপ খনি "মূল ইংৰাজী" **HOW CAN I KNOW THE TRUTH OF THE GOSPEL** ৰ প্ৰথম অসমীয়া সংস্কৰণ। প্ৰত্যক্ষ অনুবাদ কৰাতকৈ ভাবানুবাদ আৰু কিছুমান ক্ষেত্ৰত বাস্তৱৰ লগত মিল ৰাখি কথাবোৰ উপস্থাপন কৰা হৈছে। কিতাপ খনিত এনে কিছুমান উৎস বা ঐতিহাসিক ঘটনাৰ উল্লেখ আছে যিবোৰৰ লগত পঢ়ুৱৈ সমাজে সুপৰিচিত নহবও পাৰে। মূল আৰবী কিতাপ খনিৰ লিখক শ্ৰীযুত ইস্কান্দাৰ জাদীদ, আৰবত এটি মুছলীম পৰিয়ালত জন্ম হোৱা ও পৰৱৰ্ত্তী জীৱনত মছীহি বিশ্বাসত অহা এজন বিখ্যাত আলেম। তেওঁৰ অক্লান্ত পৰিশ্ৰম আৰু অধ্যয়ণৰ ফলশ্ৰুতি এই সৰু কিতাপ খন।

অসমীয়া সংস্কৰণত অজানিতে ৰৈ যোৱা ভুলৰ বাবে ৰাইজে ক্ষমা কৰে যেন। শেষত কওঁ, কিতাপখনে পঢ়ুৱৈ সমাজক এই বিষয়ে সামগ্ৰিক দিশত উপকৃত কৰিব পাৰিলে আমাৰ পৰিশ্ৰম সাৰ্থক হোৱা বুলি ভাবিম। মহান খোদাৰ মহব্বত, হজৰত ঈছামছীহৰ অনুগ্ৰহ ও পাক ৰুহুৰ সহভাগিতা আপোনালোক সকলোৰে লগত থাকক। খোদা হাফিজ ।

**খুৰছিদ আলম**, সম্পাদক
*দ্বাৰ-উল-মছীহ*
গুৱাহাটী, ৭ জুন, ২০০৩ চন।

PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

# ইঞ্জিল শ্ৰীফৰ সত্যতা

Assamese Translation of " **HOW CAN I KNOW THE TRUTH OF THE GOSPEL**"

by : ***Iskander Jadeed***


Published by :

**The Good Way**

Rikon, Switzerland

অসমীয়া সংস্কৰণ ২০০৩ (by ***Dar-Ul- Masih, Guwahati***)

*দ্বাৰ-উল-মছীহ,*

ডাক বাকচ নং ঃ ২৩৪,

গুৱাহাটী-৭৮১০০১

1000 Copies

Printed at **ComPress**, Ambari,Guwahati-1


**বিঃ দ্ৰঃ** কোৰাণ শ্ৰীফৰ অসমীয়া উদ্ধৃতি সমূহ, "*অসমীয়া ইছলামী সাহিত্য প্ৰকাশন সমিতি, হেদায়েৎ পুৰ, গুৱাহাটী - ৩*" ৰ পৰা প্ৰকাশিত, **অধ্যাপক ছৈয়দ ছামচুল হুদা, (এম্ . এ.)** অনুদিত "**কোৰাণ বোধ**"ৰ পৰা লোৱা হৈছে।

**পঞ্চম অধ্যায়**

আপোনাৰ চিঠিৰ পৰা আৰু এটা বিষয়ত আপোনাৰ সন্দেহ আছে বুলি ঠাৱৰ কৰিছো। চাৰিটা শুভবাৰ্ত্তাৰ উপৰিও ইঞ্জিল শ্ৰীফত আন কিছুমান লেখনীত আপুনি সন্ধিহান হৈ উঠিছে। উত্তৰত মই ইয়াকে কও যে, চাৰিখন শুভবাৰ্ত্তা, প্ৰকাশিত কালাম আৰু চিঠি-পত্ৰ— এইবোৰ লৈয়েই পৱিত্ৰ ইঞ্জিল শ্ৰীফ হৈছে। ইঞ্জিল শ্ৰীফত সৰ্বমুঠ ২৭ খন সৰু সৰু পুস্তিকা, পুস্তিকাবোৰ কিছুমান অধ্যায় আৰু অধ্যায়বোৰ আকৌ আয়াতত বিভাগ কৰা হৈছে। এই ভাগবোৰ ঠিক কোৰাণ শ্ৰীফত ১১৪ টা ছুৰা বা অধ্যায় থকাৰ দৰেই। গতিকে ইঞ্জিল শ্ৰীফত ইমানবোৰ সৰু সৰু পুস্তক থাকিলেই ই পৰিবৰ্ত্তন হোৱা বুলি কব নোৱাৰি, যেনেদৰে কোৰাণতো বহুতো অধ্যায় থকাত ইয়াৰ পৰিবৰ্ত্তন হোৱা বুলিব নোৱাৰি। প্ৰিয় জনাব, প্ৰতিটো প্ৰশ্নৰে এটা জৱাব বা উত্তৰ আছে। আমি আমাৰ ক্ষুদ্ৰ জ্ঞাণেৰে যিখিনি পাৰিলো, উত্তৰ দিলো। আপুনি এটা কথা মনত ৰাখিব যে,প্ৰতিটো সমস্যাৰে এটা সমাধান আছে। আপুনি আমাৰ উত্তৰবোৰত সন্তোষ্টি নহৈ আৰু নতুন নতুন প্ৰশ্নৰ অৱতাৰণা কৰিব পাৰে। আমি আপোনাৰ এনে সকলো প্ৰশ্নৰ উত্তৰ পাক কিতাবৰ পৰা দিবলৈ চেষ্টা কৰিম। আপোনাৰ প্ৰশ্ন সমূহ তলৰ ঠিকনাত পঠিয়াব পাৰে।

**পাঠক-পাঠিকাৰ বাবে প্ৰশ্ন ঃ**

এই প্ৰশ্ন কেইটা দিয়া হৈছে— আপুনি এই পুস্তিকাখন কিমান গুৰুত্ব সহ পঢ়িছে তাক জানিবলৈ। অনুগ্ৰহ কৰি এই প্ৰশ্নবোৰৰ উত্তৰ এটা বেলেগ কাগজত লিখি আমালৈ পঠিয়াই দিয়ক। সম্পূৰ্ণ উত্তৰ শুদ্ধ হ'লে আমাৰ প্ৰকাশিত আন এখন কিতাপ আমি আপোনালৈ পঠিয়াই দিম। ধন্যবাদ।

১) কোৰাণ শ্ৰীফৰ ছুৰা ইউনুছৰ ৯৫ আয়াত পঢ়িলে আপোনাৰ মনত কি ধাৰণা জন্মে?
২) মৰিয়ম পন্থী সকলক কোৰাণ শ্ৰীফে কি দৰে আক্ৰমণ কৰিছে?
৩) মৰিয়ম পন্থীসকলৰ যুক্তিবোৰ প্ৰকৃত মছীহিসকলে গ্ৰহণ কৰেনে?
৪) মছীহি আৰু মৰিয়ম পন্থী সকলৰ ঈমানৰ পাৰ্থক্য বৰ্ণনা কৰক।
৫) তালাক সম্পৰ্কে মছীহৰ বাণী কি আছিল?
৬) ইহুদী সকলেযে মছীহক সলীববিদ্ধ কৰিছিল, সেই সম্পৰ্কে কোৰাণ শ্ৰীফে কি কয়?
৭) মছীহৰ মৃত্যু সম্পৰ্কে কেইটামান ঐশী বাণী উল্লেখ কৰক।
৮) মছীহৰ মৃত্যুক সমৰ্থন কৰা কোৰাণৰ আয়াত কেইটাৰ নাম উল্লেখ কৰক।
৯) মৃত্যুৰ তৃতীয় দিনা মছীহৰ কি হৈছিল?
১০) ইঞ্জিল পৰিবৰ্ত্তন হোৱাটো কোৰাণ শ্ৰীফে সমৰ্থন কৰেনে?
১১) ছুৰা আল-কাছাছৰ ৪৯ আয়াত পঢ়ি আপুনি কি বুজি পালে?
১২) বিশ্বত ব্যাপী থকা কিতাবুল মোকাদ্দাছ পৰিবৰ্ত্তনৰ কাৰণে একত্ৰ হোৱাটো সম্ভৱনে?

**উত্তৰ পঠোৱাৰ বা আমাৰ লগত যোগাযোগ কৰাৰ ঠিকনা ঃ**


*দ্বাৰ-উল-মছীহ*

ডাক বাকচ নং ২৩৪

গুৱাহাটী - ৭৮১ ০০১, অসম




PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

কোৰাণ শ্বৰীফে এই পাক কিতাপৰ সপক্ষে কিয় সাক্ষ্য দান কৰে? ইয়াত যে সত্য আৰু পথৰ নির্দেশ আছে এনেকৈ কিয় কয়? পৰৱর্ত্তী কিতাপ বাবেই পাক কিতাপত থকা ভুলবোৰ কোৰাণ শ্বৰীফে আঙুলিয়াই দিব লাগিছিল। কিন্তু ভুলবোৰ দেখুৱাই দিয়াৰ পৰিবর্ত্তে পাক কিতাপ যে নিখুত আৰু আল্লাহৰ বান্ধাসকলে সেইবোৰ পালন কৰিব লাগে তাকেহে সাক্ষ্য দিছে।

আনহাতে ধৰা হওক ইছলামৰ পাছত পাক কিতাপবোৰ পৰিবর্ত্তন হৈছিল। এই যুক্তিও শুদ্ধ নহব, কিয়নো ইছলাম জন্মৰ বহু আগতেই মূল পাক কিতাপ সংগ্রাহালয়বোৰত জমা কৰি ৰখা হৈছিল। সেইবোৰ বর্ত্তমানৰ পাক কিতাপৰ লগত মিলাই চালেই শুদ্ধতা নির্ণয় কৰিব পাৰি। অর্থাৎ পুৰণি সংৰক্ষিত পাক কিতাপৰ লগত বর্ত্তামানৰ পাক কিতাপৰ কোনো ক্ষেত্রতে অমিল নাই।

এই ক্ষেত্রত মই এটা গুৰুত্বপূর্ণ প্রশ্নৰ অৱতাৰণা কৰিব খুজিছো। কোৰাণ শ্বৰীফে যে, পূর্বৰ কিতাপবোৰত সত্যতা, পোহৰৰ নির্দেশ আছে এই কথা কেনেকৈ কবলৈ পালে? যদিহে পাক কিতাপবোৰ সলনি হৈছিল, তেন্তে কোৰাণ শ্বৰীফে ইয়াৰ সপক্ষে ইমান ধুনীয়া সাক্ষ্য কিয় দিয়ে? কোৰাণ শ্বৰীফত আল্লাহ পাকে ঘোষণা কৰা কথা বিফলে যাবনে?

*"(হে মোহাম্মদ) এই সত্যবাহী পুথিখনি তোমাৰ প্রতি অৱতীর্ণ কৰিছো, এইখনে ইয়াৰ পূর্বে অৱতীর্ণ হোৱা পুথি সাব্যস্ত আৰু সংৰক্ষণ কৰিব..."* (আল মায়দা ৪৮ আয়াত)।

শেষত আৰু এটা প্রশ্ন ঃ যদিহে পৰিবর্ত্তন হৈছে, তেন্তে সেই বিষয়বোৰৰ আগত এই পৰিবর্ত্তিত বিষয়বোৰৰ কি স্থান বা সম্পর্ক আছে। আন কথাত পৰিবর্ত্তিত বা কর্ত্তন কৰা অংশখিনি দেখা পালেহে আমি পতিয়ন যাব পাৰো যে, পৰিবর্ত্তন হৈছে। যদিহে এই পৰিত্যক্ত অংশখিনি পোৱা নাযায়, তেন্তে পৰিবর্ত্তন বা কর্ত্তন হৈছে বুলি কব নোৱাৰো।

আনহাতে এই ধাৰণা তেনেই অমূলক যে মছীহিসকলৰ পূর্বেই ইহুদীসকলে কিতাবুল মোকাদ্দাছ পৰিবর্ত্তন কৰিছিল। তেতিয়াহলে ঈছা মছীহই তেওঁৰ প্রচাৰৰ সময়ত কিতাবুল মোকাদ্দাছৰ পৰা উদ্ধৃতি দিলেহেঁতেন নে? ঈছামছীহৰ জন্মৰ পাছত এই পাক কিতাপ পৰিবর্ত্তন হোৱা হলে নিশ্চয় বিশ্ব বিয়াপী প্রতিবাদৰ ঢৌ উঠিলেহেঁতেন। মুঠতে ইহুদী আৰু মছীহিসকলৰ মাজত এই বিষয় লৈ ঐক্যমত হোৱাটো বৰ অসম্ভৱ। ইহুদীসকলেও ই পৰিবর্ত্তন হোৱা বিশ্বাস নকৰে। মছীহিসকলেও বিশ্বাস নকৰে। মছীহিসকলে ইয়াক পৰিবর্ত্তন কৰিব খুজিলে ইহুদীসকলে কথাটো প্রতিবাদ কৰিলে হেঁতেন। ইহুদীসকলে এইখন পৰিবর্ত্তন কৰাহেঁতেন মছীহিসকলে প্রতিবাদ সহকাৰে কথাটো ধৰিলেহেঁতেন। আমি জানো যে ইহুদী আৰু মছীহিসকল সদায় বিৰোধা-বিৰোধী। আনহাতে পাক কালাম পোন্ধৰ শ শতিকাৰ পৰাই ইমান ভাষা আৰু ঠাইলৈ ব্যপ্ত হৈছে যে, ইয়াক একত্র কৰি পৰিবর্ত্তন বা কোনো অংশ কর্ত্তন কৰাৰ সাধ্য কাৰো নাই। বাস্তৱিকতে এনে পাক কিতাপ পৰিবর্ত্তন কৰাৰ মানসেৰে তেনে বিশ্ব জনমত গঢ়িবলৈ কোনেও প্রচেষ্টা নকৰিব।

সেয়ে এতিয়া কব খোজো যে, খোদাৰ পাক কালাম ৰক্ষণাবেক্ষণৰ দায়িত্ব খোদাৰ ওচৰতে আছে। মূল ভাষা গ্রীক বা অৰামীয়া— ইব্রীৰ পৰা বিভিন্ন ভাষাত অনুবাদ হওঁতে অত-তত এটা দুটা বিষয়ত সম্পূর্ণ ভাৱ ফুটি নুঠিব পাৰে বা অর্থৰ অলপ হীন-দেৱী হব পাৰে। সেইবুলি ইচ্ছাকৃত ভাৱে কোনোবাই এনে গৰ্হিত কাম কৰি আল্লাহৰ অভিশাপৰ ভাগী নহব নিশ্চয়।



# ইঞ্জিল শ্বৰীফৰ সত্যতা

ইস্কান্দাৰ জাদীদ আৰবৰ এটি উল্লেখযোগ্য মুছলমান পৰিয়ালত জন্মগ্রহণ কৰা আৰু শেষত মছীহী বিশ্বাসত অহা এজন বিখ্যাত প্রচাৰক। তেওঁ লিখা বহুতো মূল্যবান গ্রন্থ ইতিমধ্যে প্রকাশ পাইছে। অসমীয়া ভাষাতো তেওঁৰ দুখন সৰু কিতাপ প্রকাশ হৈছে। "**ইঞ্জিল শ্বৰীফৰ সত্যতা**" নামাকৰণ ইংৰাজীৰ পৰা অসমীয়ালৈ অনুবাদ কৰোতে অলপ পৰিবর্ত্তন কৰি কৰা হৈছে। কিতাপখন আৰম্ভ হৈছিল এটি বিশেষ প্রশ্নোত্তৰ অনুষ্ঠানত। অসমীয়া প্রকাশত সেয়ে পঢ়ুৱৈ সকলৰ জ্ঞাতার্থে প্রশ্ন কেইটা সন্নিৱিষ্ট কৰা হ'ল। তলৰ এই প্রশ্ন সমূহৰ উত্তৰ পাবলৈ জাদীদ চাহাবৰ "**ইঞ্জিল শ্বৰীফৰ সত্যতা**" কিতাপ খনি আৰম্ভণিৰ পৰা শেষলৈকে পঢ়ক।

**প্রশ্ন সমূহ ঃ**

১) সৃষ্টিকর্ত্তা আল্লাহ পাক ঈছা-মছীহৰ পিতৃ কেনেকৈ হব পাৰে বা আল্লাহৰ পিতৃত্বৰ প্রমাণ দিব পাৰিনে?

২) তৌৰাৎ আৰু ইঞ্জিল শ্বৰীফ পৰিবর্ত্তন হৈছে। এই ক্ষেত্রত আপোনাৰ মতামত কি?

৩) ঈছা-মছীহৰ সলীবত মৃত্যু হোৱাৰ প্রমাণ আছেনে?

৪) ইঞ্জিল শ্বৰীফত চাৰিখন "শুভবার্ত্তা" ই প্রমাণ নকৰেণে ইঞ্জিল শ্বৰীফ পৰিবর্ত্তন হৈছে?
(প্রশ্নকর্ত্তা ঃ মৌলানা জাহিৰ চুলতান, ত্রিপলিচ-লেবানন)

মুছলমান ভাইসকলক ইঞ্জিল শ্বৰীফৰ সত্যতাৰ কথা কোৱাৰ লগে লগে তেওঁলোকৰ মনতো একেধৰণৰ প্রশ্ন উদয় হয়। আহক - আমাৰ অন্তৰত থকা এই প্রশ্ন সমূহৰ উত্তৰ আমি জাদীদ চাহাবৰ পৰা শুনো—

**উত্তৰ ঃ**

প্রিয় জোনাব,

আপুনি ইঞ্জিল শ্বৰীফৰ হকীকতৰ সত্যতা জানিব বিচৰাত মই অতিকৈ আনন্দিত হৈছো। আপোনাৰ এই আগ্রহৰ প্রতি মই সন্মান জনাও। ঈছামছীহৰ চাহাবী হজৰত পৌলে কৈছিল, "*সকলো বিষয়ৰ পৰীক্ষা কৰি, যি ভাল তাকে ধৰি ৰাখা।*" (১থিচনীকীয়া ৫ঃ২১ পদ)।

আপোনাৰ মন্তব্য বা প্রশ্নৰ পৰা বুজা যায় যে, আপুনি মছীহী ঈমানৰ বিষয়ে অধিক জানিবলৈ আগ্রহী। আপোনাৰ এই উৎসাহ বা আগ্রহে আপোনাক "কিতাৱীসকল"ৰ লগত বিতর্কত যাবলৈ উদগাইছে। কোৰাণ শ্বৰীফৰ মতে, *"ঐশী পুথিপ্রাপ্ত মানুহবিলাকৰ লগত যুক্তি তর্ক কৰিলে অতি উত্তমভাৱে তর্ক কৰিবা; অৱশ্যে সিহঁতৰ অন্যায়কাৰী বিলাকৰ লগত এই নীতি প্রযোজ্য নহয় আৰু সিহঁতক কোৱা, আমাৰ প্রতি যি অৱতীর্ণ কৰা হৈছে আৰু তোমালোকৰ প্রতিও যি অৱতীর্ণ কৰা হৈছিল সেইবোৰৰ প্রতি আমি বিশ্বাস স্থাপন কৰিছো। আমাৰ উপাস্য আৰু তোমালোকৰ উপাস্য একেজনেই আৰু আমি তেওঁৰ ওচৰত আত্মসর্মপন কৰিছো।"* (আন কাবুত ৪৬ আয়াত)

ঠিক একে ধৰণৰ সাৱধানবাণী কোৰাণ শ্বৰীফৰ আন এঠাইতো কৰা হৈছে, *"সিহঁতে কিয় তোমাক বিচাৰক ৰূপে মানিব? যিহেতু সিহঁতৰ ওচৰত তওৰাত বর্ত্তমান আছে, য'ত আল্লাহৰ বিধান সন্নিবিষ্ট হৈ আছে। তথাপি সিহঁতে তাৰ পৰা মুখ ঘুৰাই লৈছে। প্রকৃততে সিহঁতৰ ঈমানেই নাই।"* (ছুৰা আল মায়িদা, ৪৩ আয়াত) মছীহি ঈমানৰ ভেটীক আক্রমণ



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

কৰিবলৈ আপুনি কিতাবুল মোকাদ্দাছৰ পৰিবৰ্ত্তে কোৰাণ শ্বৰীফৰ আয়াতৰ সহায় লৈছে। অথচ কোৰাণ শ্বৰীফেই কিতাবুল মোকাদ্দাছক **'মুছলমান আৰু মছীহী'**সকলক বিবাদৰ নিষ্পত্তিকাৰক বুলি অভিহিত কৰিছে। প্ৰমাণ স্বৰূপে কোৰাণত হজৰত মহম্মদক (ছাঃ) কোনো বিবাদ নিষ্পত্তিৰ বাবে ঐশীপুথি প্ৰাপ্ত সকলৰ ওচৰত যাবলৈ কোৱা হৈছে। *"আমি তোমাৰ প্ৰতি কি অৱতীৰ্ণ কৰিছো সেই বিষয়ে যদি তুমি সন্ধিহান হোৱা তেনেহ'লে যিসকলে তোমাৰ পূৰ্বে অৱতীৰ্ণ হোৱা পুথি পাঠ কৰিছে তেওঁলোকক সোধা। তোমাৰ প্ৰভুৰ পৰা তোমালৈ প্ৰকৃত সত্য আহিছে। তুমি কদাপিও সন্দেহ পোষণ কৰা মানুহ বিলাকৰ দলভুক্ত নহবা।"*(ছুৰা ইউনুছ ৯৪ আয়াত) ইয়াৰ দ্বাৰা আমি ইয়াকে বুজিব পাৰোঁ যে, ঐশীপুথিপ্ৰাপ্ত সকলৰ সৈতে হোৱা যিকোনো বিবাদৰ নিষ্পত্তি কিতাবুল মোকাদ্দাছৰ মতেই হব লাগে। কোৰাণ শ্বৰীফৰ আন এঠাইত আমি পাওঁ, *"আমি তওৰাত অৱতীৰ্ণ কৰিছো। তাত সু পথৰ নিৰ্দেশ আৰু জ্যোতি আছে। আল্লাহৰ অনুগত নবী সকলে তওৰাতৰ মানদণ্ড অনুযায়ী ইহুদীবিলাকৰ বিচাৰ কৰিছিল। .... কিয়নো তেওঁলোকক আল্লাহৰ এই পুথিৰ ৰক্ষণাবেক্ষণৰ দায়িত্ব দিয়া হৈছিল আৰু তেওঁলোকেই ইয়াৰ সাক্ষী আছিল। (হে ইহুদীসকল) তোমালোকে মানুহক ভয় নকৰিবা, মোক ভয় কৰা। মোৰ বাণীবোৰ সামান্য মূল্যত বিক্ৰী নকৰিবা। যিবিলাকে আল্লাহ প্ৰদত্ত বিধান অনুযায়ী বিচাৰ-ফয়চলা নকৰে, সিহঁতেই অবিশ্বাসকাৰী।"*(ছুৰা আল-মায়িদা - ৪৪আয়াত)

ইয়াৰ দ্বাৰা এইটো বুজা যায় যে, কোৰাণত যিয়েই নাথাকক তাত মছীহী সকলে লাগি থকাটো বাধ্যতামূলক নয়। আনহাতে কোৰাণ শ্বৰীফে নিজেই হজৰত মহম্মদক (ছঃ) কিতাবুল মোকাদ্দাছৰ কাষ চাপিবলৈ কৈছে,*"(হে মোহাম্মদ) এই সত্যবাহী পুথিখনি তোমাৰ প্ৰতি অৱতীৰ্ণ কৰিছো, এইখনে ইয়াৰ পূৰ্বে অৱতীৰ্ণ হোৱা পুথি সাব্যস্ত আৰু সংৰক্ষণ কৰিব। এতেকে আল্লাহে অৱতীৰ্ণ কৰা বিধান অনুযায়ী মানুহৰ কাজ-কৰ্মবোৰ বিচাৰ কৰিবা। তোমালৈ অৱতীৰ্ণ হোৱা সত্য পৰিত্যাগ কৰি সিহঁতৰ খিয়াল-খুচীমতে নচলিবা।"* (ছুৰা আল-মায়িদা ৪৮ আয়াত) অৰ্থাৎ হজৰত মহম্মদেও এনে বিবাদ নিস্পত্তি কৰিব নোৱাৰিব- যিটো কৰিলে কোৰাণ বা তৌৰাৎ শ্বৰীফ অমান্য কৰা হয়। তেনেদৰে ঐশীপুথি প্ৰাপ্ত সকলেও-সিহঁতলৈ অৱতীৰ্ণ হোৱা তৌৰাৎ উলঙ্ঘণ কৰি বেলেগ ধৰণেৰে বিচাৰ কৰিব নোৱাৰিব। আনহাতে তেওঁলোকৰ ওচৰত বিবাদ নিস্পত্তিৰ উত্তম বিধান থকা বাবেই আন কতো সহায় বিচাৰি যোৱাৰো প্ৰয়োজন নাই।

এতিয়া আহক, মই আপোনাৰ প্ৰশ্নসমূহৰ উত্তৰ এফালৰ পৰা দি যাওঁ। যদি মছীহী ঈমানৰ কোনো টান মতবাদ বুজিবলৈ অসুবিধা হয় বিনা দ্বিধাই প্ৰশ্ন কৰিব পাৰিব।

**উত্তৰ ১ ঃ**

**আল্লাহ পিতৃ— ঈছৱা মচীহ পুত্ৰ; মতবাদ।** ঈছামছীহৰ পুত্ৰত্বৰ দাবীক আক্ৰমণ কৰিবলৈ আপুনি কোৰাণ শ্বৰীফৰ দুটা আয়াত ব্যৱহাৰ কৰিছে। যেনে ঃ-

(ক) ছুৰা আল এখলাছ *"তেওঁ কোনো সন্তান জন্ম দিয়া নাই আৰু তেৱোঁ কাৰো সন্তান নহয়...* (৩ আয়াত)

(খ) ছুৰা মৰিয়ম ঃ *"কাৰোবাক সন্তান কৰি লোৱা আল্লাহৰ কাম নহয়। তেওঁ পৱিত্ৰ মহিমাময় সত্তা। তেওঁ কোনো কিছু কৰিবলৈ স্থিৰ কৰিলেই তেতিয়া কয়— 'হ' আৰু সেয়া হৈ যায়।"* (৩৫ আয়াত)। কিন্তু আপুনি ছুৰা আন-আন-আমত থকা আয়াতক অৱজ্ঞা কৰিছে। ইয়াত আছে, *"তেওঁ আকাশ মণ্ডল আৰু পৃথিৱীৰ উদ্ভাৱক। তেওঁৰ সন্তান কেনেকৈ হব*



*লাগিব।"* **সংশয় ঃ** প্ৰথম দুটি আয়াতৰ মূলভাৱ, তৃতীয় আয়াতৰ মূলভাৱ, একে নহয়। ইয়াত কওঁতাৰ মতবাদৰ বিভিন্নতা প্ৰকাশ পাইছে। এতিয়া প্ৰশ্ন হ'ল, প্ৰায় ৬০০ বছৰ আগতে বেহেস্থলৈ যোৱা মছীহৰ বিষয়ে হজৰত মহম্মদক আল্লাহই ত্ৰুটীপূৰ্ণ কিতাপখন মান্য কৰিবলৈ পৰামৰ্শ দিবনে?

আমাৰ মুছলমান সমাজে এই বিষয়ত অজ্ঞ থকাটো মই কামনা নকৰোঁ যে, যুগে,যুগে তেওঁলোকক কোৰাণৰ যোগেদি কিতাবুল মোকাদ্দাছক বিশ্বাস কৰিবলৈ কোৱা হৈছে। আমি কোৰাণত পাওঁ; *"হে ইমানদাৰসকল, আল্লাহ আৰু তেওঁৰ ৰছুলৰ প্ৰতি আৰু তেওঁৰ ৰছুলৰ ওপৰত অৱতীৰ্ণ হোৱা পুথিৰ প্ৰতি ঈমান আনা আৰু যিবোৰ পুথি তোমালোকৰ পূৰ্বেই অৱতীৰ্ণ হৈছিল, সেইবোৰৰ প্ৰতিও ঈমান আনা।"*(ছুৰা আন-নিছা ১৩৬ আয়াত) কাৰণ পাওঁ,

*"তেৱেঁই তোমালোকৰ বাবে দ্বীনৰ সেই নীতি নিয়ম বান্ধি দিছে, যি নীতি নিয়মৰ আদেশ তেওঁ নুহক দিছিল আৰু এতিয়া (হে নবী) তোমাৰ প্ৰতি আমি ৱহীৰ জৰিয়তে যি প্ৰেৰণ কৰিছো আৰু যি উপদেশ নিৰ্দেশ আমি ইব্ৰাহীম, মুছা আৰু ঈছাক দিছিলো,সেয়া হ'ল— তোমালোকে এই দ্বীন প্ৰতিষ্ঠা কৰা আৰু এই লৈ অনৈক্যৰ সৃষ্টি নকৰিবা..."।* (আছ-ছুৰা ১৩ আয়াত)

এনেদৰে যদিহে আমি কোৰাণ শ্বৰীফ খন গভীৰ ভাবে অধ্যয়ন কৰো তেনেহলে দেখা পাম যে, ইয়াৰ ভিতৰত ইঞ্জিল বা তৌৰাতৰ সত্যতাৰ সপক্ষে অগণন সাক্ষ্য পোৱা যাব। তাৰোপৰি আল্লাহৰ পাক-কালাম যে পৰিবৰ্ত্তন হোৱাৰ পৰা খোদা পাকে সম্পূৰ্ণ ৰূপে ৰক্ষা কৰে তাৰ বিষয়েও পঢ়িবলৈ পাওঁ। আমি মাত্ৰ মুক্ত অন্তকৰণেৰে তৌৰাৎ ও ইঞ্জিলৰ সত্যতা বিচাৰি কোৰাণ শ্বৰীফখন অধ্যয়ন কৰিবহে লাগে। কোৰাণ শ্বৰীফৰ এই আয়াতবোৰ চাওঁহক।

ক) *"নিশ্চয় আমি এই যিকৰ (উপদেশবাণী) অৱতীৰ্ণ কৰিছো আৰু আমিয়েই ইয়াৰ সংৰক্ষণকাৰী"।* (আল-হিজৰ ৯ আয়াত)

খ) *"... আৰু তোমালোকে আল্লাহৰ নীতিত কোনো পৰিবৰ্ত্তন দেখিবলৈ নোপোৱা।"* (আল-আহযাব ৬২ আয়াত)

গ) *"... আল্লাহৰ বাণী পৰিবৰ্ত্তন কৰাৰ ক্ষমতা কাৰো নাই"*(ছুৰা - আল- আন আম - ৩৪ আয়াত)

তৌৰাত আৰু ইঞ্জিল শ্বৰীফত থকা আল্লাহৰ কালাম পৰিবৰ্ত্তন হৈছে বুলি স্বীকাৰ কৰি ললে এইটোকে মানি লোৱা হয় যে, আল্লাহে তেওঁৰ কালাম ৰক্ষণাবেক্ষনৰ যি প্ৰতিশ্ৰুতি দিছিল, সেয়া তেওঁ পালন কৰিব পৰা নাই। আল্লাহৰ বিষয়ে এনে ধাৰণা উচিত নহয়। ই এটা অসম্ভৱ কথা যিহেতু আল্লাহ ন্যায়বান। তেওঁ তেওঁৰ প্ৰতিশ্ৰুতি ভংগ কৰিবই নোৱাৰে। তেওঁ যিহেতু পৱিত্ৰ, মিছাৰ পৰা আতৰত, সেয়ে তেওঁ নিয়ম ভংগ কৰিব নোৱাৰে। শেষত আৰু এটা কথা কও— কোৰাণৰ ভাষাত; *"... যদি তোমালোক সত্যবাদী হোৱা তেনেহলে আল্লাহৰ পৰা এনে এখন পুথি (তৌৰাৎ, ইঞ্জিল আৰু কোৰাণৰ দৰে) আনা যিখনে এই দুখনতকৈ উৎকৃষ্ট পথ দেখুৱাব পাৰে। ময়ো তাকে অনুসৰণ কৰিম।"* (আল - কাছাছ ৪৯ আয়াত)

সৰ্বশেষত সেই সকললৈ, যিকলে পাক কিতাপ পৰিবৰ্ত্তন হৈছে বুলি বিশ্বাস কৰে মোৰ এটি অনুযোগ তথা প্ৰশ্নঃ কেতিয়া, কাৰ দিনত আৰু কোনে এনে পৰিবৰ্ত্তন কৰিছিল? অনুগ্ৰহ কৰি সঠিক তথ্য দিবনে?

ধৰা হওঁক— ইছলাম ধৰ্ম আগমণৰ পূৰ্বে এই পৰিবৰ্তন সংগঠি ত হৈছিল। তেনেহলে



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

ইঞ্জিল শ্বৰীফৰ বহুতো আয়াত ইচ্ছাকৃতভাবে পৰিবৰ্ত্তন কৰি তৌৰাৎ শ্বৰীফৰ বাণীৰ লগত সম্বন্ধ স্থাপন কৰা হৈছে। আপোনাৰ মতে, “মই বিশ্বাস কৰো যে, হজৰত ঈছা (তেওঁৰ ওপৰত শান্তি হওঁক) ই যেতিয়া জানিলে যে ইহুদীসকলে তেওঁক ধৰি বধ কৰিব, তেতিয়া তেওঁ তেওঁৰ পাক কিতাব পৃথিৱীত থৈ অন্তৰ্ধান হৈছিল। যেতিয়া সেই বিতৰ্কিত মানুহজনৰ সলীব মৃত্যু হৈ যায়, মানুহে উক্ত কিতাপবোৰ পুৰি পেলাইছিল। পিছত তেওঁৰ চাহাবা সকলে যিখিনি মনত ৰাখিছিল লিপিবদ্ধ কৰিছিল। লিখোতে তেওঁলোকে নিজৰ ইচ্ছামতে হীন-দেৰী কৰিছিল। এনেদৰেই ঈছাৰ বিষয়ে চাৰিজন চাহাবাই চাৰিখন খণ্ড লিখিছিল। ইয়াৰ বিপৰীতে কোৰাণ শ্বৰীফ এনেদৰে পুৰি পেলোৱাও হোৱা নাছিল আৰু সেয়ে কোনেই যোগ-বিয়োগ কৰি লিখিবও পৰা নাছিল। আনহাতে তৌৰাত শ্বৰীফো পৰিবৰ্ত্তন হৈছে। আজিৰ তৌৰাত খন মুচা নবীৰ ওপৰত নাঝেল হোৱা তৌৰাত নহয়।”

চাওঁক, মই যুক্তিৰে কব খোজা নাই যে, কোৰাণ খন ইঞ্জিলৰ দৰেই সংগ্ৰহ কৰা আৰু পৰিবৰ্ত্তিত ৰূপ, এইবোৰ কব খোজা নাই। ই মোৰ উদ্দেশ্য নহয়। কিন্তু এইটো মই আপোনাৰ পৰা জানিব খুজিছো কোনখন কিতাপ সম্পূৰ্ণ ভাবে পুৰি পেলোৱা হৈছিল? যদিহে আপুনি ইঞ্জিলৰ ক্ষেত্ৰত এই কথা কৈছে, তেন্তে মই কও যে, ইঞ্জিলৰ খণ্ডবোৰ কেতিয়াও এনে বিপৰ্যয়ৰ পিছত লিখা হোৱা নাছিল। তৌৰাতৰ ক্ষেত্ৰত যদিহে এই পুৰি পেলোৱা কথাটো কব খোজে— তেন্তে মই কব পাৰো যে, এই পাক কিতাব সমূহ মন্দিৰ আৰু নামঘৰবোৰত এনেদৰে সংৰক্ষণ কৰা আছিল যে, সেইবোৰ কোনোবাই নষ্ট কৰা বা পুৰি পেলোৱাৰ কথা ভাবিবই নোৱাৰি। আনহাতে মই নাজানো কি অৰ্থত ভাবিছে, ঈছাৰ হাতত থকা কিতাপ (যদিহে আছিলেই) কিয় এনে অকৃজ্ঞসকলৰ হাতত থৈ যাব, যিহঁতে পুৰি বা ধ্বংস কৰি পেলাব? অথবা এইটোও বিশ্বাসযোগ্য নে আল্লাহৰ পাক কালাম তেওঁলোকে ইচ্ছা মতে পুৰী পৰিবৰ্ত্তন বা পৰিবৰ্দ্ধন কৰিব? এইবোৰ মোৰ মতে আপোনাৰ মনে সজা কথা বা আপোনাৰ অজ্ঞতাৰ বাহিৰে একো নহয়।

মই ভাবো আপোনাৰ এই ধাৰণাৰ লগত পৃথিৱীৰ মুছলমান আলেম সমাজ একমত নহব। কাৰণ যুক্তিৰ ক্ষেত্ৰত ই বিশ্বাসযোগ্য নহয়। কোৰাণ শ্বৰীফত ইঞ্জিল শ্বৰীফৰ বিষয়ে সত্যতাৰ সাক্ষী পোৱা যায়ঃ *সিহঁতক কোৱা, হে ঐশীপুথিপ্ৰাপ্তিসকল, (থিয় দিবলৈ) তোমালোকৰ কোনো মূল ভেটি নহব যেতিয়ালৈকে তওৰাত, ইঞ্জিল আৰু তোমালোকৰ প্ৰভুৰ পৰা তোমালোকৰ প্ৰতি অৱতীৰ্ণ হোৱা অন্যান্য পুথিবোৰ প্ৰতিষ্ঠা নকৰা...।” (ছুৰা আল মায়িদা ৬৮ আয়াত) “ইঞ্জিলৰ অনুগামী সকলে যদিহে আল্লাহে অৱতীৰ্ণ কৰা বিধান অনুযায়ী বিচাৰ নকৰে সিহঁত মহাপাপাচাৰী”* (আল-মায়িদা ৪৭ আয়াত)

ইয়াৰ লগতে কোৰাণ শ্বৰীফৰ আৰু এটি আয়াত যোগ কৰি এটা প্ৰশ্ন বা সংশয়ত উপনীত হব পাৰি। কোৰাণৰ আছ-ছুৰা ১৫ আয়াত, *“... হে নবী, তুমি এতিয়া সেই দ্বীনৰ প্ৰতি আহ্বান কৰা আৰু তোমাক যি আদেশ দিয়া হৈছে তাতে দৃঢ়ভাবে প্ৰতিষ্ঠিত হৈ থাকা। সিহঁতৰ ইচ্ছা-বাসনা অনুসৰণ নকৰিবা। সিহঁতক কোৱা— “আল্লাহে যি পুথি অৱতীৰ্ণ কৰিছে তাৰ প্ৰতি মই ঈমান আনিছো আৰু তোমালোকৰ মাজত ন্যায় বিচাৰ কৰিবলৈ মোক আদেশ দিয়া হৈছে। আল্লাহ আমাৰো প্ৰভু, তোমালোকৰো প্ৰভু। আমাৰ কৰ্ম আমাৰ বাবে, তোমালোকৰ কৰ্ম তোমালোকৰ বাবে। আমাৰ আৰু তোমালোকৰ মাজত কোনো বিবাদ নাই। আল্লাহে এদিন আমাক সকলোকে সমবেত কৰিব আৰু তেওঁৰ ওচৰলৈকে আমি সকলোৱে ঘূৰি যাব*



*পাৰে? যিহেতু তেওঁৰ কোনো জীৱন সংগিনীয়েই নাই! তেৱেই সকলো বস্তুকে সৃষ্টি কৰিছে। প্ৰতিটো বস্তু সম্পৰ্কে তেওঁ অভিজ্ঞ।”* (১০ আয়াত)। মই এই আয়াত উল্লেখ কৰাৰ কাৰণ হ'ল ঈছা-মছীহৰ পুত্ৰত্বৰ ক্ষেত্ৰত থকা ইছলামৰ দুৰ্বল যুক্তিৰ ওপৰত আপোনাৰ মনোযোগ আকৰ্ষণ কৰা। ইছলাম আৱিৰ্ভাৱৰ পূৰ্বে পৌত্তলিকিতাৰ পৰা অহা দুৰ্বল মছীহি সকলে কুমাৰী মৰিয়মক দেৱী (goddes) বুলি প্ৰচাৰ কৰিছিল। তেওঁলোকে মৰিয়মক খুব সম্ভৱ তেওঁলোকৰ আৰাধ্য দেৱী ‘আল-জুজুৰা’ৰ লগত তুলনা কৰিছিল। তেওঁলোকে নিজকে **“মৰিয়ম পন্থী”** বুলি দাবী কৰি ফুৰিছিল। ইছলামৰ বিদগ্ধ পণ্ডিত আহম্মদ আল-মাক্ৰীজীয়ে ৰচিত **“আল-ক্কাল-আল-ইব্ৰীজি”** গ্ৰন্থৰ ২৬ পৃষ্ঠাত তেওঁলোকৰ বিষয়ে প্ৰকাশ কৰিছে। তেনেদৰে ইৱনে হাজম, ৰচিত **“আল-মিলাল ৱাল অহৱা ৱাল নিহাল”** গ্ৰন্থৰ ৪৭ পৃষ্ঠাত এই বিধৰ্মীসকলৰ বিষয়ে বৰ্ণনা কৰিছে। বৰ্তমানে এই **“মৰিয়ম পন্থী”** বুলি কোনো মছীহী লোক পৃথিৱীত পাবলৈ নাই। প্ৰকৃততে মছীহীসকলে মৰিয়ম পন্থীসকলক প্ৰকৃত আল্লাহৰ বৈশিষ্টক কলংক বুলি অপবাদ দিয়ে। মছীহী শাস্ত্ৰজ্ঞসকলে মণ্ডলীত এনেকুৱা ভুল ধাৰণাৰ অন্ত নপৰালৈকে সপ্তম শতিকাৰ শেষলৈকে প্ৰাণপণ যুঁজ কৰিছিল।

ইয়াৰ পৰা আমি এইটোৱেই উপলব্ধি কৰো যে, কোৰাণ শ্বৰীফে মছীহীসকলৰ ঈমানক সমালোচনা কৰা নাই, মাত্ৰ এই **‘মৰিয়ম পন্থী’** বিধৰ্মীসকলকহে সমালোচনা কৰিছে। কাৰণ আৰব, ইজিপ্ত আৰু গ্ৰীচত সেই সময়ত এনে ধৰ্ম বিৰুদ্ধ কথাবোৰ বহল প্ৰচাৰিত আছিল। প্ৰকৃত পক্ষে এনে ধাৰণ মছীহি ঈমানৰ পৰিপন্থী। পাক খোদাই কেতিয়াও আমাৰ দৰে সংগমৰ মাধ্যমত পুত্ৰৰ জন্ম নিদিয়ে। সপ্তম শতিকালৈকে মছীহিসকলে এনে মতবাদৰ বিৰোধীতা কৰিছিল।

কোৰাণ শৰীফৰ আয়াতৰ পৰা এইটো বুজা যায় যে, মছীহি ঈমানক নহয়, এই **“মৰিয়মপন্থী মতবাদ”**কহে সমালোচনা কৰিছে। কোৰাণ শ্বৰীফত পৌত্তলিকতাবাদক অগ্ৰাহ্য কৰা হৈছে। এনে পৌত্তলিকতাবাদ সেই সময়ত আৰৱ, ইজিপ্ত আৰু গ্ৰীচত বহুল প্ৰচাৰিত আছিল। তেওঁলোকে বিশ্বাস কৰিছিল যে, তেওঁলোকৰ দেৱতাবোৰে বিয়া কৰি ল'ৰা-ছোৱালীৰ জন্ম দিয়ে। মছীহিসকলে এনেকৱা মতবাদ অগ্ৰাহ্য কৰে। মছীহিসকলৰ ‘পুত্ৰত্বৰ’ মতবাদটো সম্পূৰ্ণ ৰূপে ৰূহানী বিষয়। ইঞ্জিল শ্বৰীফত থকাৰ দৰেইঃ *“প্ৰথমত কালাম আছিল, কালাম খোদাৰ লগত আছিল, কালামেই স্বয়ং খোদা।...সেই কালাম ঈছা-মছীহ ৰূপে দুনীয়াত প্ৰকাশিত হ'ল...* (দ্ৰষ্টব্য ঃ ইউহোন্না ১:১ আৰু ১৪ আয়াত)। *কোৰাণ শ্বৰীফত একে অৰ্থত ঈছা-মছীহক কালিমাতুল্লাহ বা ৰূহল্লাহ বোলা হৈছে।* (ছুৰা আন-নিছা ১৭১ আয়াত)

ৰছুল পৌলে কৈছে, *“ঈছা-মছীহৰ নিমন্ত্ৰিত চাহাবা আৰু খোদাৰ ইঞ্জিলৰ নিমিত্তে পৃথক কৰা হজৰত পৌল, যি ইঞ্জিল খোদায় পূৰ্বে তেওঁৰ নবীসকলৰ যোগেদি কিতাবুল মোকাদ্দাছত প্ৰতিজ্ঞা কৰিছিল, সেয়ে তেওঁৰ ৰূহানী পুত্ৰ ঈছা-মছীহৰ ইঞ্জিল। তেওঁ জাহেৰী হিচাবে দাউদ নবীৰ বংশৰ, কিন্তু পাক ৰূহ সম্পৰ্কে গায়েবসকলৰ মাজৰ পৰা পুনৰুত্থান হৈ পৰাক্ৰমেৰে খোদাৰ (ৰূহানী) পুত্ৰ বুলি পৰিগণিত”* (ৰোমীয়া ১:১-৪)

ঈছা মছীহৰ বিষয়ে থকা সত্যতাবোৰ পৰ্য্যালোচনা কৰিলে তেওঁ যে স্বৰূপেই খোদাৰ ৰূহানী পুত্ৰ আছিল তাক বিশ্বাস কৰিব পাৰো। চাহাবীসকলে ঈছাক কোন বোলে, এই প্ৰশ্নৰ উত্তৰত ছাইমন ইৱনে ইউহোন্নাই কৈছিল, *“আপুনি সেই মছীহ— জীৱন্ত খোদাৰ ৰূহানী পুত্ৰ।”* ঈছাই স্বৰ্গোক্তোতি কৰি কৈছিল, *“ছাইমন, ইৱনে ইউহোন্না, তুমি ধন্য, কাৰণ কোনো মানুহে এই*



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

*কথা তোমাৰ আগত প্ৰকাশ কৰা নাই, মোৰ বেহেস্থী আব্বায় প্ৰকাশ কৰিছে।"* (মথি ১৬:১৭ আয়াত) *"... তোমালোকৰ প্ৰত্যেকে যদি তোমালোকৰ ভায়েকক আন্তৰিকাতাৰে ক্ষমা নকৰা, তেন্তে মোৰ বেহেস্থী আব্বায় তোমালোকৰ ওপৰত এনেকুৰা কৰিব"* (মথি ১৮:৩৫ আয়াত) *"...তোমালোকে কিয় মোক বিচাৰিছিলা, তোমালোকে নাজানা নেকি মই মোৰ আব্বাৰ গৃহত থাকিব লাগে?"* (লুক ২:৪৯ আয়াত) *"ঈছাই তেওঁলোকক উত্তৰ দিলে, মোৰ আব্বায় সকলো সময়তে কাম কৰি আছে, আৰু মইও কৰি আছো।"* (ইউহোন্না ৫:১৭ আয়াত)।

ইউহোন্নাৰ ইঞ্জিলত আমি আৰু পাওঁ, *"... আব্বাৰ হুকুমত মই অনেক ভাল কাম আপোনালোকক দেখালো, তাৰ ভিতৰত কোন কামৰ বাবে আপোনালোকে মোক শিল দলিয়াব খোজে?"* (ইউহোন্না ১০:৩২ আয়াত) ঈছা মছীহ জৰ্ডান নদীত তৃৰীকা বন্দী হোৱাৰ সময়ত বেহেস্থৰ পৰা এনে আচ্‌মানী আৱাজ আহিছিল, *"...এওৱেই মোৰ প্ৰিয় পুত্ৰ, এওঁৰ ওপৰত মই পৰম সন্তোষ্ট"* (মথি ৩:১৭ আয়াত)। কোৰাণ শ্বৰীফৰ ছুৰা এখলাছ চাওক। *"তেওঁ কোনো সন্তান জন্ম দিয়া নাই আৰু তেৰো কাৰো সন্তান নহয়"* (আয়াত নং ৩)। ইয়াৰ তৰ্জমা কৰি ইমাম আল-বাইদাভি কৈছে, "সন্তান জন্ম দিয়া নাই"— এই অৰ্থত যে— তেওঁৰ (খোদাৰ) কাৰো সৈতে যৌন সম্পৰ্ক নাছিল বা উত্তৰাধিকাৰীৰ বাবে কাৰো সহায়ৰ প্ৰয়োজন নাছিল। "তেওঁ কাৰো সন্তান নহয়" অৰ্থাৎ তেওঁৰ একোৰে অভাৱ নাই বা কোনো অভাৱে তেওঁক স্পৰ্শ কৰিব নোৱাৰে। খোদা অভাৱহীন, কাৰো সন্তান নহয় বা যৌন সম্পৰ্কতো কাকো সন্তান কৰাৰ অভাৱ তেওঁৰ নাই। মূল কথা— "জন্ম" শব্দটো ছুৰা এখলাছত বৰ্ণনা কৰা মতে যৌন সম্পৰ্ক বা জাগতিক সম্পৰ্কৰে সৃষ্ট নুবুজায়। ইছলামৰ এই ধাৰণা মছীহি সকলেও বিশ্বাস কৰে। অৰ্থাৎ খোদায় কেতিয়াও যৌন সম্পৰ্কৰে সন্তান জন্ম নিদিয়ে। ঈছা মছীহৰ লগত তেওঁৰ পিতৃত্বৰ সম্পৰ্ক সম্পূৰ্ণৰূপে আত্মিক বা ৰূহানী, জাগতিক নহয়।

## হজৰত মহম্মদ সকলোতকৈ শ্ৰেষ্ঠ?

এক লাখ চৌবিশ হাজাৰ নবী ৰছুলৰ (কোনো কোনোৰ মতে দুই লাখ) মাজত মুছলমানসকলে হজৰত মহম্মদক সৰ্বশ্ৰেষ্ঠ নবী বা ৰছুল বুলি মান্য কৰে।

ঈছা মছীহ যদি মাথো এজন নবীয়েই হ'লহেঁতেন, তেন্তে এই নবীসকলৰ মাজত কোন সৰ্বশ্ৰেষ্ঠ তাক প্ৰতিপন্ন কৰিবলৈ যুক্তি-তৰ্ক কৰিলোহেঁতেন। কিন্তু আমি জানো যে ঈছা মছীহ এজন সাধাৰণ নবী নহয়; তাতোকৈ বহুত ওপৰত তেওঁৰ স্থান। তেওঁ সকলো নবী, ফিৰিস্থা আৰু মূখ্য ফিৰিস্থা সকলোতকৈ ওপৰত। পৃথিৱীত আৰু বেহেস্থত থকা সকলো সৃষ্ট বস্তুৰ ওপৰত তেওঁ, দেখা বা নেদেখা বস্তুৰ ওপৰত তেওঁৰ স্থান। সেয়ে এই বিষয়টো অধিক আলোচনাৰেই প্ৰয়োজন বা কি? ইঞ্জিল শ্বৰীফত আমি পাওঁ, *"আদিতে কালাম আছিল, কালাম খোদাৰ লগত আছিল আৰু কালামেই স্বয়ং খোদা আছিল। প্ৰথমতে ই খোদাৰ লগত আছিল, সকলো বস্তু কালামৰ দ্বাৰা সৃষ্টি হৈছিল আৰু যি যি সৃষ্টি হৈছিল তাৰ ভিতৰত একোৱেই তেওঁৰ বাহিৰে সৃষ্টি হোৱা নাছিল। তেওঁৰ মাজত জীৱন আছিল, সেই জীৱন আছিল মানুহৰ নূৰ। সেই নূৰ অন্ধকাৰৰ মাজত জ্বলি আছে, কিন্তু অন্ধকাৰে নূৰক জয় কৰিব নোৱাৰে।"* (ইউহোন্না ১:১-৫ আয়াত)। একেদৰে আমি ইব্ৰাণী কিতাপত পাওঁ, *"সেইবাবে পৱিত্ৰ ভাইসকল, তোমালোকৰ যিসকলে বেহেস্থ পোৱাৰ আশাত তেওঁৰ আহ্বানত সহাঁৰি দিছা, তোমালোকে ঈছা-মছীহৰ বিষয়ে মনোযোগী হোৱা। যাক আমি মাবুদ ৰূপে ঈমান অনিছো, তেৱেঁই খোদা প্ৰদত্ত সেই মহা ইমাম। খোদাৰ লোকসকলক চোৱা-চিতা কৰাত মুছা নবী যেনেদৰে ইমানদাৰী*



**ঈছাৰ (সলীবৰ পৰা কোৱা) কথাৰো মিল নাই। তৌৰাত আৰু মছীহৰ জীনৰ বিষয়ে ভাল জ্ঞান নথকা একাংশ আলেমৰ এয়া কাল্পনিক কাহিনীহে। এই কাল্পনিক কাহিনীৰ সাৰমৰ্ম হ'ল তেওঁলোকে সৰ্বশক্তিমান আল্লাহক "প্ৰতাৰক" প্ৰতিপন্ন কৰা। তেওঁলোকৰ মতে আল্লাহৰ ক্ষমতা সসীম বাবেই ঈছাক ৰক্ষা কৰিবলৈ মানুহক প্ৰতাৰণা কৰিব লগা হৈছিল। ই আল্লাহৰ বিষয়ে কেনে অপযশৰ কথা যে, তেওঁ প্ৰতাৰকৰ ভুমিকাৰে আন এজনক ঈছাৰ ঠাইত মৰিবলৈ দি ঈছাক ৰক্ষা কৰিছিলহু সেই মৃত্যুবৰণ কৰা মানুহজনৰ বা কি দোষ আছিল? ই কেনে বিসংগতিৰ কথা যে, নবুয়তৰ যোগেদি আল্লাই ঘোষণা কৰা কথা ৰক্ষা নকৰিব? মছীহই দোষ-ভোগ কৰি মৰিব বুলি নবুয়ত কৰা কথা যেতিয়া ঘটিবলৈ ধৰিব সেই সময়ত আল্লাহে জানো তেওঁৰ পূৰ্বৰ পৰিকল্পনা পৰিবৰ্ত্তন কৰিব পাৰে? ঈছাৰ পৰিবৰ্ত্তে যিজন লোকক আল্লাই মৃত্যু হবলৈ দিয়ে, তেওঁৰ বিষয়ে পূৰ্বতে কিবা ওহী পঠাইছিলনে? এতিয়া নিৰপেক্ষ পঢ়ুৱৈ বা সলীবি ঘটনাৰ প্ৰত্যক্ষ সাক্ষ্য হিচাবে কওঁকচোন, এই নিৰপৰাধী লোকজনক (ঈছাৰ পৰিবৰ্ত্তে) সলীৱত দিয়াৰ সময়ত গগন ফলা চিঞৰ নামাৰিলেহেতেন নে? অথবা নিৰপৰাধী লোকজনক ধৰোতে সমাজৰ মানুহে প্ৰতিবাদ নকৰিলেহেতেন নে?**

যিয়ে নহক, এনে কাল্পনিক কাহিনীৰ যে একো ভিত্তি নাই সেয়া সহজে অনুমেয়। কাৰণ আমি বিবেকৰ পৰা কৈছো, আল্লাহে তেওঁৰ পূৰ্ব পৰিকল্পনাবোৰ বাস্তবায়িত কৰিবলৈ কোনো মিথ্যাৰ বা প্ৰতাৰণাৰ আশ্ৰয় লব নোৱাৰে। নাউ-জুবিল্লাহ! এগৰাকী প্ৰতিভাবান মুছলমান বিজ্ঞ আলেম —ফকৰ-ইউ-দীন আল-ৰাজিয়েও একাংশ মুছলমানৰ এনে কাল্পনিক কাহিনীক অগ্ৰাহ্য কৰিছে। ছুৰা আল-ইমৰাণৰ ৫৫ আয়াতৰ ব্যাখ্যা কৰি তেওঁ কয় যে, মানুহৰ মুখ বাগৰা কথাহে একাংশ মুছলমানে বিশ্বাস কৰে। ঈছা-মছীহৰ স্বৰূপেই সলীৱত মৃত্যু হৈছিল আৰু ই আছিল আল্লাহৰ পূৰ্বৰ পৰিকল্পনা।

প্ৰিয় পঢ়ুৱৈ সকল, এতিয়া নিৰপেক্ষ মতামত দিব খোজো। ঈছা-মছীহৰ সলীবি মৃত্যু আৰু পুনৰুত্থানৰ বিষয়ে সঠিক তথ্যৰ বাবে আপোনলোকে তেওঁৰ সময়ত বা আগত নাঝেল হোৱা খোদাৰ কালাম অধিক বিশ্বাসত লব নে তেওঁৰ ইন্তেকালৰ ছশ বছৰ পাছত নাঝেল হোৱা খোদাৰ কালামক অধিক বিশ্বাসত লব! সিদ্ধান্ত আপোনালোকৰ।

আপোনাৰ প্ৰশ্নটো আছিল ইঞ্জিলত ঈছাৰ সলীৱত মৃত্যু হোৱা বুলি লিখা আছে অথচ কোৰাণত নাই" ইয়াৰ মতামত দিওতে ইমান দীঘলীয়া আলোচনা কৰিব লগা হ'ল। আমি আতি গুৰি মাৰি বহলাই ব্যাখ্যা কৰিলো এই কাৰণেই যেন আপুনি নিৰপেক্ষ ভাবে নিজৰ বিৱেক বা জ্ঞানৰ দ্বাৰা, সঠিক মতামত বা বলিষ্ঠ দলিল কোনটো সেয়া অৱগত হৈ প্ৰকৃত সত্যক গ্ৰহণ কৰিব পাৰে। আশা কৰো এই দিঘলীয়া আলোচনাৰ পৰা আপুনি উপকৃত হ'ব আৰু মছীহৰ সলিবী মৃত্যু/পুনৰুত্থান সম্পৰ্কে সঠিক সিদ্ধান্তত উপনীত হব পাৰিব। খোদা পাক আপোনাক ৰহমত দান কৰক।

## চতুৰ্থ অধ্যায়

**প্ৰশ্ন নং ৪ ঃ** তৌৰাৎ শ্বৰীফৰ লগত ইঞ্জিল শ্বৰীফৰো কিছুমান আয়াত পৰিবৰ্ত্তন হৈছে। এই বিষয়ে আপোনাৰ মতামত কি?

**উত্তৰ ঃ** আপোনাৰ চিঠিত অকল এই খিনিয়েই নহয়, উদাহৰণ সহ কব বিচাৰিছে যে,



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

**বিশ্বাস নকৰাজনে আল্লাহ, তেওঁৰ ৰূহানী পুত্ৰ ঈছা আৰু ফিৰিস্থা সকলে মানুহক ঠগাইছে বুলি ভাবে।** ইহুদীসকলে মছীহক হত্যা কৰাৰ মূল কাৰণ আছিল মছীহি বিশ্বাসৰ প্ৰসাৰ ৰোধ কৰা। কাৰণ ঈছাৰ শিক্ষাত ইহুদীসকলৰ পুৰণি ধ্যান-ধাৰণাক আঘাত কৰিছিল। সেয়ে যেতিয়া তেওঁলোকে ৰোমান সম্ৰাটক পতিয়ন নিয়াই মছীহক হত্যা কৰিলে, তেওঁলোকে ভাবিলে জয়ী হোৱা বুলি কিন্তু ভাল খবৰ এটা কেতিয়াও অপশক্তিৰে দমাই ৰাখিব নোৱাৰি। এই ভাল খবৰটো অতি সোনকালেই পৃথিৱীৰ চাৰিওফালে বিয়পি গ'ল। সেই সময়ত মছীহৰ কথা শুনাৰ লগে লগে হাজাৰ হাজাৰ মানুহে তেওঁলৈ আকৃষ্ট হ'ল।

এনেদৰেই ইহুদীসকলে তেওঁলোকৰ লক্ষ্যত উপনীত হব নোৱাৰিলে, যদিও তেওঁলোকৰ তেনেকুৱা ধাৰণাই হৈছিল। প্ৰায় ছশ বছৰ পাছত নাঝেল হোৱা কোৰাণত আমি এই ধাৰণা পাওঁ। মছীহৰ বিষয়ে যুক্তি-তৰ্ক কৰা লোকসকলে মছীহক ব্যক্তিগত ভাবে নজনা কাৰণেই তেওঁলোকৰ মন্তব্যবোৰ শুদ্ধ নহয়। আনহাতে প্ৰত্যেকেই নিজৰ নিজৰ মন্তব্যবোৰ সঁচা বুলি মানুহক পতিয়ন নিয়াব বিচাৰিছিল। **প্ৰিয় পাঠকসকল আপোনালৈ এটি প্ৰশ্নঃ ঈছা -মছীহৰ সম-সাময়িক তেওঁৰ চাহাবাসকলৰ ওপৰত নাঝেল হোৱা কথা বিলাক বেছি গ্ৰহণযোগ্য নে তাৰ ছশ বছৰ পাছত অন্যৰ ওপৰত নাঝেল হোৱা কথাবিলাক বেছি গ্ৰহণযোগ্য??** দুয়োখনৰ বক্তব্যৰ মিল থাকিলেও স্বাভাৱীকতে আমি ঘটনাৰ সম-সাময়িক বক্তব্যহে অধিক গুৰুত্ব দিম। ইঞ্জিল শ্বৰীফত পাওঁ, *"আদিৰে পৰা যি আছিল, আমি যি শুনিলো, যি নিজ চকুৰে দেখিলো,যিহক চালো আৰু নিজ হাতেৰেও চুলো, অৰ্থাৎ জীৱনৰ কালামৰ বিষয়ে, সেই জীৱন প্ৰকাশিত হ'ল আৰু আমি দেখিলো আৰু সাক্ষ্য দিছো আৰু যি জীৱন পিতৃৰ লগত আছিল আৰু আমাৰ আগত প্ৰকাশিত হ'ল, সেই বেহস্থী জীৱনৰ সম্বাদ তোমালোকক দিছো। আমি যি দেখিলো আৰু শুনিলো তাৰেই সম্বাদ আমাৰে সৈতে তোমালোকৰো সহভাগিতা হবলৈ তোমালোককো দিছো ...।"* (ইউহোন্নাৰ প্ৰথম পত্ৰ ১ঃ১-৩ আয়াত)

ইউহোন্না ঈছা -মছীহৰ এজন চাহাবা আছিল। তেওঁ ঈছাৰ লগত তিনিবছৰ একেলগে কটাইছিল। তেৰেই মৃত্যুৰ আগে আগে প্ৰায় ৮৫ চনত ওহী যোগে পোৱা এই কথা বিলাক সকলো লোকৰ বাবে লিখি থৈ গৈছিল। ইয়াৰ প্ৰায় ছশ বছৰ পাছত অৱতীৰ্ণ হোৱা কোৰাণ শৰীফত পাওঁ, *"মোৰ প্ৰতি শান্তি যিদিনা মোৰ জন্ম হৈছিল, যিদিনা মোৰ মৃত্যু হব আৰু যিদিনা মোক পুনৰ জীৱিত কৰি উঠোৱা হব।"* (ছুৰা মৰিয়াম ৩৩ আয়াত)। সেই সময়তো মছীহি সকলে ঈছাৰ পুনৰুত্থান প্ৰচাৰ কৰাত মানুহে হৃদয়ঙ্গম কৰিব পৰা নাছিল। বৰঞ্চ তেওঁলোকে সন্দেহ কৰিছিল—তৃতীয় দিনা জীয়াই উঠা ঈছাক ইহুদী সকলে খুব সম্ভৱ হত্যা কৰিব পৰা নাছিল। এই সন্দেহৰ অৱসান ঘটাবলৈহে এই ছুৰা অৱতীৰ্ণ হৈছিল। আন ঠাইত পাওঁ, *"সেই সময়ত আল্লাহে কলে 'হে ঈছা, এতিয়া মই তোমাক ওভতাই আনিম, মোৰ ওচৰলৈ উঠাই আনিম আৰু যিবিলাকে তোমাক অস্বীকাৰ কৰিছে সিহঁতৰ (সংশ্ৰৱ, সহচৰ্য্য আৰু পংকিল পৰিবেশৰ) পৰা তোমাক পবিত্ৰ কৰিম। যিবিলাকে তোমাক অস্বীকাৰ কৰিছে সিহঁতৰ ওপৰত কিয়ামত পৰ্য্যন্ত তোমাৰ অনুসাৰী সকলক উচ্চতৰ কৰি ৰাখিম। ..."* (আল ইমৰাণ ৫৫ আয়াত)

**এতিয়া পাঠক সকলে পৰ্য্যালোচনা কৰক আমাৰ মুছলমান সমাজত কেনে আসোৱাহপূৰ্ণ মতবাদ সিচঁৰিত হৈ আছে। একাংশ মুছলমান আলেম বিশ্বাস কৰে যে, আল্লাহে ঈছাৰ পৰিবৰ্ত্তে আন এজনক মৰিবলৈ দিছিল। এই ধাৰণাৰ লগত নবীসকলৰ বাণী আৰু**



*আছিল, ঠিক তেনেদৰে পঠোৱা জনাৰ ওপৰত ঈছা-মছীহ বিশ্বাসী আছিল। যিজনে ঘৰ সাজে, তেওঁ যেনেকৈ ঘৰটোতকৈ বেছি সন্মান পায়, তেনেদৰে খোদাপাকে ঈছা-মছীহক মুছা নবীতকৈ বেছি গৌৰৱৰ অধিকাৰী বুলি ভাবিলে। প্ৰতিটো ঘৰ কোনোবা এজনে তৈয়াৰ কৰিলেও, সকলো বস্তু একমাত্ৰ খোদাপাকেই সৃষ্টি কৰা। মুচা নবী ইমানদাৰসকলক বিশ্বস্তাৰে সেৱা কৰিছিল, যেন ভৱিষ্যতে যি কোৱা হব সেই বিষয়ে তেওঁ সাক্ষ্য দিব পাৰে। ঈছা-মছীহ সেই পৰিয়ালৰ বাবে পোৱা পুত্ৰৰ দৰে ঈমানদাৰ আছিল। আমাৰ নিশ্চিত আশাত যি সাহস আৰু আনন্দ আছে, তাত যদি আমি শেষলৈ থিৰে থাকো, তেতিয়া আমি যে খোদাৰ পৰিয়ালৰ লোক সেয়া প্ৰকাশ পাব।"* (ইব্ৰাণী ৩:১-৬ আয়াত) ইয়াত কেইবাটাও বিষয় স্পষ্ট হৈছে ঃ

(ক) ঈছা-মছীহ মুছা নবীত কৈ শ্ৰেষ্ঠ।

(খ) খোদাৰ পৰিয়ালৰ ভিতৰত ঈছা নবী শ্ৰেষ্ঠ।

(গ) ঈছা-মছীহ সকলোতকৈ বেছি ঈমানদাৰী।

(ঘ) ঈছ-মছীহ খোদা প্ৰদত্ত মহা ইমাম বা নাজাত দাতা।

এই কিতাৰত আমি আকৌ পঢ়ো ঃ

*"আদিতে খোদা পাকে নবীসকলৰ যোগেদি কথা কৈছিল। কিন্তু শেষ সময়ত তেওঁ তেওঁৰ পুত্ৰৰ যোগেদি আমাৰে সৈতে কথা কৈছে। খোদায় তেওঁৰ নিজ পুত্ৰক সকলোৰে অধিকাৰী হবলৈ নিযুক্ত কৰিলে। পুত্ৰৰ মাধ্যমত তেওঁ সকলোকে সৃষ্টি কৰিলে। খোদাৰ সকলো গুণ তেওঁৰ পুত্ৰত আছে বা পুত্ৰই খোদাৰ প্ৰতিচ্ছবী। পুত্ৰই তেওঁৰ শক্তিশালী কালামৰ দ্বাৰা সকলো বস্তু ধৰি ৰাখি পৰিচালনা কৰে। পাপ দূৰ কৰাৰ পাছত তেওঁ বেহেস্থত খোদাৰ সোঁহাতে বহিছে। পিতৃৰ পৰা তেওঁ যি নাম পাইছে, সেই নাম যেনেদৰে ফিৰিস্তাসকলৰ নামতকৈ মহান, তেনেকৈ তেওঁ নিজেও ফিৰিস্থা সকলতকৈ মহান হৈছে।" খোদাই কেতিয়াবা কোনো ফিৰিস্থাক এনেদৰে কৈছেনে? "তুমি মোৰ পুত্ৰ— আজি মই তোমাৰ পুত্ৰ হ'লো।" অথবা তেওঁ এনেদৰে কৈছেনে? "মই তেওঁৰ পিতৃ হম আৰু তেওঁ মোৰ পুত্ৰ হব।"* নাই, তেনেকৈ তেওঁ কেতিয়াও কোৱা নাই। খোদা তেওঁৰ প্ৰধান সন্তানক পৃথিৱীত পঠোৱাৰ সময়ত কৈছিল, *"খোদাৰ সকলো ফিৰিস্থাই তেওঁক চিজদা কৰক।"* (ইব্ৰানী ১:১-৬ আয়াত)

ইয়াত স্পষ্ট হোৱা বিষয় কেইটা হ'ল ঃ

(ক) খোদা পাকে তেওঁৰ নবী বা পুত্ৰৰ যোগেদি মানুহৰ সৈতে কথা পাতে বা যোগাযোগ কৰে।

(খ) খোদাৰ ৰূহানী পুত্ৰ হজৰত ঈছা-মছীহৰ গাত খোদাৰ গুণসমূহ আছে, সেয়ে এই পুত্ৰ হ'ল খোদাৰ প্ৰতিচ্ছবী।

(গ) তেওঁ দায়িত্ব পালন কৰি খোদাৰ সোঁহাতে বহিছে।

(ঘ) আন নবী বা ফিৰিস্থা সকলোতকৈ তেওঁৰ দায়িত্ব আৰু নাম মহান।

(ঙ) খোদাই নিজে তেওঁক সকলোতকৈ শ্ৰেষ্ঠ কৰিছে।

তেনেহ'লে আমি এতিয়া কি কম? খোদায় যাক সৰ্বশ্ৰেষ্ঠ কৰিছে, আমি তাত প্ৰতিবাদ কৰিমনে? বা খোদায় যাক শ্ৰেষ্ঠ কৰি জন্ম দিছে আমি তেওঁক শ্ৰেষ্ঠ নুবুলিম নে? নে খোদাৰ কথা অমান্য কৰি আমি আন কাৰোবাক সৰ্বশ্ৰেষ্ঠ বুলি গণ্য কৰিম? ঈছা মছীহৰ প্ৰসংগে খোদা পাকে জব্বুৰ শ্বৰীফত দায়ুদ নবীৰ দ্বাৰা ঘোষণা কৰিছিল, *"তুমি মোৰ পুত্ৰ, আজি মই তোমাৰ পিতৃ হলো"* (জব্বুৰ ২:৭ পদ)। কলচীয়া কিতাপত পাওঁ, *"এই পুত্ৰ (হজৰত ঈছা-মছীহ) সেই*



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

*অদৃশ্য খোদাৰ হুবহু প্ৰকাশ। সকলো সৃষ্টিৰ আগত তেওঁ আছিল আৰু সকলো সৃষ্টিৰ ভিতৰত তেৰেই প্ৰধান। কাৰণ আচ্‌মান আৰু দুনিয়াত যি দেখা যায় আৰু যি দেখা নাযায়, সকলো বস্তু তেওঁৰ দ্বাৰা সৃষ্টি হৈছে... তেওঁ সকলোৰে আগত আছিল আৰু তেওঁৰ বাবেই সকলো স্থিৰে আছে... ।"* (কলচীয় ১:১৬-১৮ আয়াত)

এতিয়া পাঠকে সিদ্ধান্ত কৰক। খোদায় শ্ৰেষ্ঠ কৰি পঠাইছে কাক— আৰু আমি কাক শ্ৰেষ্ঠ বুলি গ্ৰহণ কৰিছো !

## দ্বিতীয় অধ্যায়

**প্ৰশ্ন ঃ** ইঞ্জিল শ্বৰীফ পৰিৱৰ্ত্তন হৈছে। এই ক্ষেত্ৰত আপোনাৰ মতামত কি?

**উত্তৰ ঃ** যিকোনো ধৰ্মীয় গ্ৰন্থ পৰিৱৰ্ত্তন হৈছে বুলি অভিযোগ কৰিব পৰা যায়। কিন্তু অভিযোগ কৰা আৰু ইয়াৰ প্ৰমাণ দাখিল কৰাৰ মাজত নিশ্চয় পাৰ্থক্য আছে। আপুনি কথা প্ৰসংগত উল্লেখ কৰিছিল যে ইঞ্জিল শ্বৰীফে 'তালাক' সমৰ্থন নকৰে কিন্তু কোৰাণ শ্বৰীফে তাক বৈধ বোলে। আন এটা বিষয় আপুনি উল্লেখ কৰিছিল যে, ইঞ্জিল শ্বৰীফত 'মদ' বৈধ কিন্তু কোৰাণত অবৈধ বোলা হৈছে। ইয়াৰেই আপুনি কব বিচাৰে যে দুয়োটা যদি আল্লাহৰ বাণী হয়, তেন্তে পৰস্পৰ বিৰোধী কিয়? সেয়ে আপোনাৰ মতে তৌৰাত আৰু ইঞ্জিল শ্বৰীফ পৰিৱৰ্ত্তন কৰা হৈছে।

দুটা বিষয়তে আপোনাৰ ধাৰণা শুদ্ধ নহয়।

প্ৰথম ঃ ইঞ্জিলে 'তালাক' নিষিদ্ধ কৰা নাছিল, মাত্ৰ তৌৰাত শ্বৰীফত থকা তালাক সম্পৰ্কীয় হাদিছটো ঈছা-মছীহে - ইহুদী আলেম সকলক ভালকৈ হৃদয়ঙ্গম কৰিবলৈ কৈছিল। (দ্ৰষ্টব্য ঃ *"কোনো পুৰুষে কোনো তিৰোতাক বিয়াৰ পাছত যদি তাইৰ কোনো দোষ পোৱাৰ কাৰণে তাই তেওঁৰ দৃষ্টিত অনুগ্ৰহ নাপায়, তেন্তে সেই পুৰুষে তাইৰ নিমিত্তে এখন 'তালাক-নামা' লিখি তাইৰ হাতত দি, তাইক নিজ ঘৰৰ পৰা বিদায় কৰিব পাৰিব।"* তৌৰাৎ, দ্বিতীয় বিৱৰণ - ২৪ঃ১- আয়াত) খোদাৰ পৰিকল্পনা কি তালৈ মছীহে আলেম সকলক উপলব্ধি কৰিবলৈ চেষ্টা কৰিছিল। (দ্ৰষ্টব্যঃ *"এতেকে মানুহে নিজ পিতৃ-মাতৃক ত্যাগ কৰি নিজ তিৰোতাত আসক্ত হব আৰু সিবিলাক দুয়ো এক দেহ হব।"* তৌৰাৎ আদি পুস্তক ২ঃ২৪ আয়াত)। এই ব্যৱস্থা খোদা পাকে কৰি দিছিল, মানুহৰ সৰ্বাংগীন মংগলৰ কাৰণে। পৰিয়ালত যেন নৈতিকতা বজায় থাকে, সৃষ্টিকৰ্ত্তাক ভয়-ভক্তি কৰি চলে ও সৎ সন্তানৰ জন্ম দিয়ে। খোদাৰ দৃষ্টিত এগৰাকী স্বামীৰ বাবে স্ত্ৰী হ'ল মাতৃ স্বৰূপ আৰু আত্মিক সংগীনি। কিন্তু মছীহে এই পবিত্ৰ বন্ধন ছিন্ন বা তালাকৰ অনুমোদন দিছে, যেতিয়া বিবাহিত নাৰী-পুৰুষে উভয়েই ব্যভিচাৰত পৰে। *"- - - যদি কোনোৱে তেওঁৰ স্ত্ৰীক এৰিব খোজে—তেওঁ তালাক নামা' লিখি দিয়ক। --- কিন্তু যদি কোনোবাই একমাত্ৰ ব্যভিচাৰৰ বাদে অন্য কাৰণত তালাক দিয়ে,তেওঁ তাইক ব্যভিচাৰিণীত পৰিণত কৰে। আনহাতে তালাক প্ৰাপ্তা নাৰীক যিয়ে নিকাহ কৰে, তেওঁও তাইৰ লগত ব্যভিচাৰ কৰে।"* (মথিঃ ৫ঃ৩১-৩২ আয়াত)

বৰ্ত্তমানে কিছুমান সংস্কাৰবাদী মুছলমান আলেম বা লিখক সকলে 'তালাক' প্ৰথাক সমালোচনা কৰি আছে। হজৰত মোহম্মদৰ (ছঃ) এটি হাদিছতো তালাক ব্যৱস্থাত নিন্দা কৰা আছে। "**আল্লাহৰ দৃষ্টিত তালাক হ'ল এটি অতি ঘৃণনীয় বিষয়।**" (ছুন্নান আবি দায়ুদ, কিতাপ ১৩, খণ্ডত দ্ৰষ্টব্য)। এতিয়া আপুনি নিশ্চয় বুজি পাইছেঃ



২) *"... হে ঈছা, এতিয়া মই তোমাক ওভতাই আনিম, মোৰ ওচৰলৈ উঠাই আনিম আৰু যিবিলাকে তোমাক অস্বীকাৰ কৰিছে সিহঁতৰ (সংশ্ৰৱ, সহচৰ্য্য আৰু পংকিল পৰিবেশৰ) পৰা তোমাক পৱিত্ৰ কৰিম। যিবিলাকে তোমাক অস্বীকাৰ কৰিছে সিহঁতৰ ওপৰত দিয়া মত পৰ্য্যন্ত তোমাৰ অনুসাৰী সকলক উচ্চতৰ কৰি ৰাখিম। অৱশেষত মোৰ ওচৰলৈকে তোমালোকৰ প্ৰত্যাৱৰ্ত্তন। তোমালোকৰ মাজত যিবোৰ বিষয়ত মতভেদ আছিল তেতিয়া মই সেইবোৰ মীমাংসা কৰি দিম।"* (ছুৰা আল-ইমৰাণ ৫৫ আয়াত)

৩) *"... মই যেতিয়ালৈকে সিহঁতৰ লগত আছিলো, সিহঁতক মই পৰ্য্যবেক্ষণ কৰিছিলো। যেতিয়া তুমি মোক ঘূৰাই আনিলা, তুমিয়েই তেতিয়া সিহঁতক নিৰীক্ষণ কৰিছিলা। তুমি সকলো বস্তুৰে পৰ্য্যবেক্ষক..."* (আল মায়িদা ১১৭ আয়াত)

৪) *"... শেষত মৰিয়ম পুত্ৰ ঈছাক স্পষ্ট নিৰ্দেশনাৱলীৰে সৈতে পঠিয়াইছিলো আৰু পৱিত্ৰ আত্মাৰে তেওঁক শক্তি সম্পন্ন কৰিছিলো। কিন্তু পিছত যেতিয়া কোনো ৰছুল তোমালোকৰ প্ৰবৃত্তিৰ বিপৰীত কিবা লৈ তোমালোকৰ ওচৰত আহি উপস্থিত হয়, তেতিয়া তোমালোকৰ গৰ্ব আৰু অহংকাৰ হয়; (তোমালোকৰ) কিছুমানক মিছা বুলি অস্বীকাৰ কৰিছা আৰু কিছুমানক হত্যা কৰিছা।..."* (আল বাকাৰা ৮৭ আয়াত)

৫) *"মোহাম্মদ এজন ৰছুলৰ বাহিৰে আন একো নহয়; তেওঁৰ পূৰ্বে আন বহুতো ৰছুল অতীত হৈ গৈছে। যদি তেওঁৰ মৃত্যু হয় বা তেওঁক হত্যা কৰা হয় (মছীহৰ ক্ষেত্ৰত) তেনেহলে তোমালোকে (তেওঁৰ আদৰ্শৰ পৰা) উভতি যাবা নেকি... ?"* (আল ইমৰাণ ১৪৪ আয়াত)

**ঝ) ঈছা-মছীহৰ পুণৰুত্থান ঃ** ঈছা-মছীহৰ জীৱন্ত অৱস্থাত পুনৰুত্থান হোৱাটোৱেই এটা ডাঙৰ সাক্ষ্য যে তেওঁৰ স্বৰূপেই মৃত্যু হৈছিল। আমি ইঞ্জিল শ্বৰীফত পাওঁ, *"ইয়াৰ পাছত আৰিমথিয়া নগৰৰ ইউছুফ নামে ঈছাৰ এজন চাহাবী, যিয়ে ইহুদীসকলৰ ভয়ত গুপুতে মুৰীদ হৈছিল, সেইজনে ঈছাৰ দেহ নিবলৈ পীলাতৰ আগত নিবেদন কৰিলে; তাতে পীলাতে অনুমতি দিয়াত তেওঁ গৈ ঈছাৰ দেহ নিলে। আৰু নীকদীম, যিজন প্ৰথমবাৰ ৰাতি ঈছাৰ ওচৰত গৈছিল তেৰোঁ আহি গন্ধ ৰসেৰে মিহলি হোৱা আঢ়ৈকুৰি সেৰ অগুৰ আনিলে। এইদৰে তেওঁলোকে ঈছাৰ দেহলৈ ইহুদীবিলাকৰ কবৰত থোৱা ৰীতিৰ দৰে সেই সুগন্ধি দ্ৰব্যেৰে সৈতে শাণ সুতাৰ মিহি কাপোৰেৰে মেৰালে। যি ঠাইত তেওঁক সলীৱত দিলে সেই ঠাইতে এখন বাৰী আছিল। সেই বাৰীত কোনো কালে কাকো নোথোৱা এনে এটা নতুন কবৰ আছিল।সেইদিনা ইহুদী সকলৰ ঈদৰ আয়োজনৰ দিন হোৱাত আৰু কবৰটোও ওচৰত থকা কাৰণে তেওঁলোকে তাতে ঈছাক দাফন কৰিলে।"* (ইউহোন্না ১৯ঃ৩৮-৪২ আয়াত)

তৃতীয়দিনা দোকমোকালিতে - বৃহত ভুমিকম্পৰ মাজত বেহেস্তৰ পৰা নামি অহা ফিৰিস্তা সকলে কবৰৰ সমূখত থকা ডাঙৰ শিলটো বগৰাই দিলে। ইয়াতে পীলাতৰ কৰ্মচাৰীসকলে অতিশয় ভয় পালে। ভুমিকম্প আৰু ঢেৰেকণিত হোৱা বিজুলীৰ পোহৰত ছাট মাৰি ধৰা কৰ্মচাৰীসকলে ঈছাৰ পুনৰুত্থান হোৱাটো দেখা নাপালে। অৱশ্যে পাছত ফিৰিস্থাই মৰিয়মক ক'লে যে, ঈছা উঠিল। ৰাতিপুৱাৰ এই দৃশ্য বৰ চাবলগা বিধৰ আছিল।

ওপৰত এই সকলোবোৰ আলোচনাৰ পৰা এইটো নিশ্চিত হব পাৰি যে ঈছাৰ পুনৰুত্থান হৈছিল। মছীহে নিজেই তেওঁলোকক কৈছিল, *"তোমালোকে খোদাৰ এই গৃহ ভাঙি পেলোৱা, মই তিনিদিনৰ ভিতৰত তাক পুনৰায় তুলিম।"* (ইউহোন্না ২ঃ১৯ আয়াত)। **ঈছাৰ পুনৰুত্থানক**



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

শোধাই দিছে। চাহাবা সকলেও স্মৰণ কৰিবৰ বাবে ইদুল-ফেছাকৰ ভোজ পালন কৰে। *"... খোদাবন্দ মছীহক যি ৰাতি দুচমনৰ হাতত শোধাই দিয়া হৈছিল,সেই ৰাতিয়েই তেওঁ পিঠালৈ শোকৰিয়া কৰি ভাঙি কলে, তোমালোকৰ নিমিত্তে মোৰ যি শৰীৰ সেয়ে এই। মোক সুঁৱৰিবৰ অৰ্থে তোমালোকে ইয়াকে কৰিবা।"* (১ কৰিন্থীয়া ১১ঃ২৩-২৫ আয়াত)

**ঙ) ঐতিহাসিক দলিল ঃ** ইতিহাসত মছীহৰ মৃত্যু পঞ্জিভুক্ত কৰা হৈছিল। ঐতিহাসিক সকলে খুব সন্মান সহ সঠিক তথ্য লিপিবদ্ধ কৰিছিল। এনে কিছুমান ঐতিহাসিকৰ নাম হ'লঃ টাক্তিয়াছ তেওঁ অখ্ৰীষ্টীয় ব্যক্তি যিয়ে ৫৫ চনতেই মছীহৰ বিষয়ে সবিশেষ লিখিছিল। গ্ৰীক ঐতিহাসিক লুছিয়ানে ১০০ চনত মছীহৰ বিষয়ে লিপিবদ্ধ কৰিছিল। যোছেফাচ (এওঁ যিহুদী আছিল) মছীহৰ মৃত্যুৰ পাছত কেইবা বছৰলৈকে জীয়াই আছিল। এখেতসকলৰ লিখনিৰ লগত ইঞ্জিলৰ বৰ্ণনা (বিশেষকৈ জন্ম, শিক্ষা, সলীবী মৃত্যু আৰু পুনৰুত্থানৰ বৰ্ণনা) হুবহু মিলি যায়।

**চ) ৰোমীয় সকলৰ ৰাজকীয় সাক্ষ্য ঃ** ৰোমীয় শাসক পীলাতে সম্ৰাট চীজাৰ তিবেৰিয়াচলৈ পঠোৱা (Caesar Tiberias) বৰ্ণনা বৰ গুৰুত্বপূৰ্ণ। ইয়াতে তেওঁ মছীহক ইহুদী সকলে দোষী সাব্যস্ত কৰা আৰু কেনেকৈ তেওঁ মছীহক সলীবত দিবলৈ বাধ্য হৈছিল- সেয়া স্পষ্টকৈ বৰ্ণনা কৰা আছিল। এই ৰাজকীয় বৰ্ণনা ইমানেই গুৰুত্বপূৰ্ণ আৰু বলিষ্ঠ আছিল যে, টাৰ্টুলিয়ানৰ দৰে বিখ্যাত ঐতিহাসিকসকলেও ইয়াক ইতিহাসৰ সম্বল হিচাবে ব্যৱহাৰ কৰিছিল। ই মছীহি ইমানদাৰ সকলৰ সপক্ষে এটি উৎকৃষ্ট ও বলিষ্ঠ দলিল।

**ছ) ইহুদী ধৰ্মগ্ৰন্থ Talmud ৰ সাক্ষ্য ঃ** হজৰত মুছা'ৰ ওপৰত নাঝেল হোৱা তৌৰাৎ শ্বৰীফ ইহুদী সকলৰ মূল ধৰ্মগ্ৰন্থ বুলি আমি সকলোৱেই জানো। তেওঁলোকৰ আন এখন বিখ্যাত তথা গুৰুত্বপূৰ্ণ তালমুদ' (Talmud) ৰ বিষয়ে খুব কম সংখ্যকেই জানো। ওপৰ পুৰুষৰ পৰা মুখে মুখে চলি অহা হাদিছবোৰৰ সমষ্টিয়েই হৈছে তালমুদ। ই খোদাৰ পৰা অহা তৌৰাৎ শ্বৰীফৰ পিছতেই গুৰুত্বপূৰ্ণ গ্ৰন্থ। তালমুদক উপলক্ষ্য কৰিয়েই ঈছা-মছীহে ইহুদীসকলক অনুযোগ কৰিছিল, *"- - - তোমালোকে পুৰুষে পুৰুষে চলি অহা হাদিছবোৰৰ কাৰণে খোদাৰ কালাম কিয় উলংঘন কৰিছা?"* (মথি ঃ ১৫ঃ৩ আয়াত)। ১৯৪৩ চনত আমৰ্ষ্টাৰ ডামৰ পৰা প্ৰকাশিত এই তালমুদৰ -অনুদিত - ৪২ পৃষ্ঠাত এনেদৰে লিখা আছেঃ

*"ঈছা -মছীহক ঈদুল-ফেছাকৰ এদিন আগতে সলীববিদ্ধ কৰা হয়। আমি তেওঁক ৪০ দিন আগৰে পৰা সাৱধান কৰিছিলো যে, তেওঁক হত্যা কৰা হব। কিয়নো তেওঁ এজন যাদুকৰ আৰু যাদুবিদ্যাৰে ইস্ৰায়েল বাসীক ঠগাব খুজিছিল।"* তৌৰাৎ শ্বৰীফৰ দ্বিতীয় বিৱৰণ ১৫ঃ৮-৯ আয়াতৰ ভৱিষ্যত বাণী সফল কৰিবলৈ ইহুদীসকলে মছীহক ঈদুল ফেছাকৰ এদিন পূৰ্বেই সলীববিদ্ধ কৰিছিল।

**(জ) কোৰাণ শ্বৰীফৰ সাক্ষ্য ঃ** কোৰাণ শ্বৰীফত কমেও ৫টা আয়াত আছে, যত মছীহৰ মৃত্যু হোৱা বুলি কোৱা হৈছে। তিনিটা ছুৰাঃ যেনে ছুৰা মৰিয়ম ৩৩ আয়াত, ছুৰা আল-ইমৰাণ ৫৫ আয়াত আৰু আল-মায়দা ১১৭ আয়াতত মৃত্যু বা প্ৰাণদণ্ডৰ কথা কোৱা হৈছে। আন আয়াত দুটা, আল-বাকাৰা ৮৭ আয়াত আৰু আল-ইমৰাণ ১৪৪ আয়াতত 'হত্যা কৰা' বুলি উল্লেখ আছে। আয়াত সমূহঃ

১) *"মোৰ প্ৰতি শান্তি যিদিনা মোৰ জন্ম হৈছিল, যিদিনা মোৰ মৃত্যু আৰু যিদিনা মোক পুনৰ জীৱিত কৰি উঠোৱা হব।"* (ছুৰা মৰিয়ম ৩৩ আয়াত)



ক) ইঞ্জিল শ্বৰীফে তালাকৰ বিৰোধীতা নকৰে, কিন্তু উপায়হীন অৱস্থাত(ব্যভিচাৰৰ ক্ষেত্ৰত) ইয়াৰ সমৰ্থন কৰিছে।

খ) কোৰাণ শ্বৰীফেও মুকলিভাবে বিনা কাৰণত যধে-মধে তালাক সমৰ্থন নকৰে; বৰঞ্চ ই আল্লাহৰ ঘৃণনীয় ব্যৱস্থা বুলি মানুহক ইয়াৰ পৰা আঁতৰি থাকিবলৈ পৰামৰ্শ দিছে।

এতিয়া আপোনাৰ দ্বিতীয় বিষয়টোলৈ আহো। ইঞ্জিলে মদ খোৱা সমৰ্থন নকৰে,কিন্তু ইয়াৰ বিৰোধীতাহে কৰে। *"মদ (খাই পাগল নহবা) নাখাবা, কাৰণ ইয়াত ক্ষতি আছে। তাৰ পৰিবৰ্ত্তে পাক-ৰুহে পৰিপূৰ্ণ হৈ জব্বুৰ প্ৰশংসা আৰু আত্মিকতাত এজনে আন জনক কথা কোৱা।"* (ইফিছীয়া ৫ঃ১৮-১৯ আয়াত) ইঞ্জিল শ্বৰীফত আৰু পাওঁ, *"যি সকলে অন্যায় কৰে তেওঁলোকে যে বেহেস্তৰ অধিকাৰী নহব, তাক তোমালোকে নাজানা নেকি? তোমালোকে ভুল নকৰিবা। যি সকলৰ চৰিত্ৰ বেয়া, যি সকলে প্ৰতিমা পুজা কৰে, যিসকলে ব্যভিচাৰ কৰে , চোৰ, লোভী, মদাহী, যিসকলে আনৰ নিন্দা কৰে - - - এই সকলে বেহেস্তৰ অধিকাৰী নহব।"* (১ কৰিন্থিয়া ৬ঃ৯-১০ আয়াত)

ইয়াৰোপৰি আন বহুতো বিভিন্নতা আছে - যি ইঞ্জিল আৰু কোৰাণৰ নৈতিক বিষয়ৰ বিভিন্নতা। কিন্তু এই বিভিন্নতাৰ কাৰণ আছে। এনে প্ৰয়োজনীয় বিভিন্নতা চাই ইঞ্জিল পৰিবৰ্ত্তন হৈছে বুলি বিচাৰ কৰিব নোৱাৰে। আনহাতে যদি এই বিভিন্নতাৰ বাবেই ইঞ্জিল পৰিবৰ্ত্তন হোৱা বুলি আপুনি কয়, তেন্তে একে কাৰণতে মছীহি সকলেও যদি কয় কোৰাণ শ্বৰীফ পৰিবৰ্ত্তন হৈছে (যিহেতু কোৰাণে তালাক সমৰ্থন কৰে বুলি আপুনি ব্যক্ত কৰিছে), তেতিয়া আপোনাৰ কেনে লগিব? বেহেস্তী জীৱনত বান্দা সকলক মদৰ প্ৰতিশ্ৰুতি দিয়া হৈছে বুলি হাদিছৰ বাণীক প্ৰশ্ন কৰিলে আপুনি তাৰ কি উত্তৰ দিব? ইঞ্জিলত প্ৰকাশ থকা তালাক নামাৰ 'কাৰণ' সম্পৰ্কে যিহেতু কোৰাণ নিমাত, তেতিয়া কোৰাণ শ্বৰীফো পৰিবৰ্ত্তন হৈছে বুলি আপুনি মানি লবনে? মুঠতে এই বিষয়টোৰ আপুনি, ইঞ্জিল শ্বৰীফ পৰিবৰ্তন হৈছে বুলিব নোৱাৰে।

আশা কৰো এই বক্তব্যৰ পৰা আপোনাৰ 'তালাক' সম্পৰ্কীয় বা মদ খোৱা সম্পৰ্কীয় বিভিন্নতাৰ বিষয়ে আপোনাৰ ভুল ধাৰণাৰ অন্ত পৰিব।

## তৃতীয় অধ্যায়

প্ৰশ্ন ঃ ইঞ্জিল শ্বৰীফত ঈছা মছীহক সলীব বিদ্ধ কৰা হৈছিল বুলি আছে। কিন্তু কোৰাণৰ মতে তেওঁ সলীব বিদ্ধ হোৱা নাছিল। এই বিষয়ে আপোনাৰ মতামত কি?

উত্তৰ ঃ বহুতেই ভবাৰ দৰে আপুনিও কোৰাণত সলীব বিদ্ধ নোহোৱাটো বিশ্বাস কৰে। কিন্তু কোৰাণত ইহুদী সকলৰ এটি স্পষ্ট সাক্ষ্য আছে তেওঁলোকে মছীহক সলীব বিদ্ধ কৰিছিল। *"আমি আল্লাহৰ ৰছুল মৰিয়মৰ পুত্ৰ ঈছা-মছীহক হত্যা কৰিছো।"* (ছুৰা আন -নিছা ১৫৭ আয়াত)

ইহুদীসকলৰ এই হাদিছ পূৰ্বপুৰুষৰ পৰা আজিলৈকে তেওঁলোকৰ বংশধৰ সকলে জানি আহিছে। তেওঁলোকৰ এই হাদিছৰ লগত সংগতি থকা আন কিছুমান হাদিছো আছে, যিয়ে সলীব বিদ্ধ হোৱা সমৰ্থন কৰে।

**প্ৰথমঃ আচমানী বাণী বা ওহি ঃ** ঈছা মছীহৰ আৰ্বিভাৱৰ বহু পূৰ্ব্বেই নবী সকলৰ ওচৰত আল্লাহৰ ওহী নাঝেল হৈছিল। তাৰে কেইটামান ওহী বৰ্ণনা কৰিছোঃ

**ক) ৩০ টা ৰূপৰ মুদ্ৰাৰ বিনিময়ত মছীহ বিক্ৰী হোৱা ঃ** *"আৰু মই তেওঁবিলাকক*



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

*কলো,যদি তোমালোকে ভাল দেখা তেন্তে মোক মোৰ বেচ দিয়া; যদি নেদেখা,তেন্তে নালাগে। তাতে তেওঁবিলাকে মোৰ বেচৰ অৰ্থে ত্ৰিশ চেকল ৰূপ জুখি মোক দিলে।”*(জখৰীয়া ১১ঃ১২ আয়াত)

**খ) সেই টকাৰে কুমাৰৰ মাটি কিনা ঃ** *“তেতিয়া খোদায়ে মোক ক’লে, তাক কুমাৰৰ আগত পেলাই দিয়া। তেওঁবিলাকৰ বিবেচনাত এয়ে উচিৎ মূল্য। তাতে মই সেই ত্ৰিশ চেকল ৰূপলৈ খোদাৰ গৃহত কুমাৰৰ আগত পেলাই দিলো।”*(জখৰিয়া ১১ঃ১৩ আয়াত)

**গ) বিদ্ৰূপ আৰু সলীববিদ্ধ কৰা ঃ** *“কিয়নো কুকুৰবোৰে মোক বেৰি ধৰিছে, দুৰাচাৰীবোৰৰ মণ্ডলীয়ে মোক বেৰিছে, সিহঁতে মোৰ হাত আৰু ভৰি বিন্ধিছে। মই মোৰ আটাইবোৰ হাড় লেখিব পাৰো; সিহঁতে মোলৈ দৃষ্টি কৰে, আৰু একেথৰে চাই থাকে। সিহঁতে নিজৰ মাজত মোৰ কাপোৰ ভাগ বাটি লৈছে; সিহঁতে মোৰ বস্ত্ৰৰ অৰ্থে চিঠি খেলাইছে।”* (জব্বুৰ ২২ঃ১৬-১৮ আয়াত)

**ঘ) নিৰ্মম প্ৰহাৰ ও আহত হোৱা ঃ** *“কিন্তু আমাৰ অধৰ্ম্মবোৰৰ নিমিত্তে তেওঁক খোচা হ’ল, আমাৰ অপৰাধবোৰৰ নিমিত্তে গুৰি কৰা হ’ল, আমাৰ শান্তিজনক শাস্তি তেওঁৰ ওপৰত পৰিল আৰু তেওঁৰ গাৰ সাঁচ বহা কোবৰ দ্বাৰাই আমি সুস্থ হলো।”*(যিচয়া ৫৩ঃ৫ আয়াত)

**ঙ) নীৰৱে যাতনা সহন কৰা ঃ** *“তেওঁ উপদ্ৰৱ পালে, তথাপি নম্ৰ হৈ তেওঁৰ মুখ নেমেলিলে, তেওঁ কাটিবলৈ নিয়া মেৰ পোৱালী বা নোম-কটিয়াৰ আগত নিজম দি থকা মাইকী মেৰৰ নিচিনা আছিল; এনেকি নিজ মুখকে নেমেলিলে।”*(যিচয়া ৫৩ঃ৭ আয়াত)

**চ) বেতেৰে কোবোৱা আৰু থুই পেলোৱা ঃ** *“ মই কোবোৱা সকললৈ নিজ পিঠি আৰু দাড়ি উঘালোঁতাবিলাকলৈ নিজ গাল পাতি দিলো, অপমান আৰু থুইৰ পৰা মোৰ মুখ নাঢাকিলো।”*(ঐ ; ৫০ঃ৬ আয়াত)

**ছ) শত্ৰুবিলাকে তেওঁক হঁহা ঃ** *“বহুতো বলধে মোক বেৰি ধৰিছে। বাচানৰ শক্তিশালী বলধবোৰে মোক আগুৰিছে। গৰ্জ্জন কৰোতা বিদাৰক সিংহৰ দৰে সিহঁতে মোলৈ মুখ মেলিছে।”* (জব্বুৰ ২২ঃ১২-১৩ আয়াত)

**জ) পিতৃৰ পৰিত্যাগত খেদ প্ৰকাশ ঃ** *“হে মোৰ মামুদ, হে মোৰ খোদা, তুমি মোক কিয় ত্যাগ কৰিলা? মোৰ নাজাত আৰু কেকঁনিৰ আৰাজৰ পৰা কিয় দূৰত থাকা?”*(জব্বুৰ ২২ঃ১ আয়াত)

**ঝ) প্ৰহাৰ আৰু তৰোৱালেৰে বিন্ধা ঃ** *“দায়ুদ বংশৰ যিৰূচালেম নিবাসীবিলাকৰ ওপৰত মই অনুগ্ৰহ আৰু ৰহমতৰ ৰূহ পঠাই দিম; তাতে তেওঁবিলাকে বিন্ধা যি মই, মোলৈ তেওঁবিলাকে চাব আৰু একেটি পুত্ৰৰ বাবে বিলাপ কৰাৰ দৰে তেওঁবিলাকে মোৰ (ঈছা-মছীহৰ) বাবে বিলাপ কৰিব। প্ৰথমে জন্মা পুত্ৰৰ বিয়োগত মানুহে শোক পোৱাৰ দৰে তেওঁবিলাকে মোৰ নিমিত্তে শোক পাব।”*(জখৰিয়া ১২ঃ১০আয়াত)

**ঞ) গুণাহগাৰ বা চোৰৰ লগত শাস্তি ঃ** *“আৰু লোকে দুষ্টবোৰৰ লগত তেওঁৰ কবৰ নিৰূপণ কৰিলে - - - তথাপি তেওঁ কোনো অত্যাচাৰ কৰা নাছিল আৰু তেওঁৰ মুখত কোনো ছলৰ কথা নাছিল।”*(যিচয়া ৫৩ঃ৯ আয়াত)

**ট) তেওঁৰ হাড় নভঙা ঃ** *“তেওঁ সেইজনৰ সকলো অস্থি ৰক্ষা কৰে, তাৰ মাজৰ এডালিও ভগ্ন নহয়।”*(জব্বুৰ ৩৪ঃ২০ আয়াত)

ঈছা-মছীহ সৰ্ম্পৰ্কে এনেকুৱা আৰু বহুতো ঐশী বাণী পূৰ্বৰ নবীসকলে পাইছিল। এই



বাণীসমূহ নিৰ্দ্দিষ্ট সময়ত ঈছা-মছীহত ফলিয়াইছে। এই কেইটামান আয়াত তুলি দিলো যেন পঢ়ুৱৈ হিচাবে আপুনি জানিব পাৰে কিদৰে এই ওহী সমূহ খোদায় ফিৰিস্তাৰ দ্বাৰা অৱতীৰ্ণ কৰাইছিল। ইঞ্জিল শ্বৰীফত এই ঐশী বাণী বা ওহী সমূহ কেনেদৰে ফলিছিল — এতিয়া তাকেই আলোচনা কৰোহঁক।

**দ্বিতীয় ঃ ওহী সমূহ ফলিওৱা ঃ**

**ক) সলীবৰ চিহ্ন ঃ** প্ৰথম শতিকাৰ মছীহিসকলে শান্তিৰ প্ৰতীক হিচাবে সলীবৰ প্ৰতীক বা চিহ্ন কৰিছিল। তেওঁলোকৰ কবৰৰ ওচৰত সলীব সাজিছিল। এই ব্যৱস্থাৰে তেওঁলোকে অত্যাচাৰী ৰোমীয় সম্ৰাট নেৰো’ৰ অত্যাচাৰৰ পৰা হাত সাৰিব বিচাৰিছিল। ৰোম পৰিদৰ্শন কৰা প্ৰত্যেকেই সলীৱ সমূহৰ অৱস্থান চাব পাৰে।

**খ) মছীহি শুভবাৰ্ত্তা প্ৰচাৰ কৰা সকলে অত্যাচাৰিত হৈছিল।** পিতৰে ইহুদীসকলক উল্লেখ কৰি কৈছিল, *“হে ইস্ৰায়েলীয়া ভাইসকল, এই কালাম শুনা। নাচৰতীয়া ঈছা-মছীহ পৰাক্ৰম কাৰ্য্য, অদ্ভুদ লক্ষণ আৰু মু’জিবাবোৰৰ দ্বাৰাই তোমালোকলৈ আল্লাহৰ পৰা প্ৰমাণিত ইমানদাৰী লোক; তেওঁৰ দ্বাৰাই খোদায় তোমালোকৰ মাজত সেই সকলো মু’জিবা কৰিলে; তাক তোমালোকে নিজেই জানি আছা। সেই জনাকেই খোদাৰ নিৰূপিত মন্ত্ৰনা আৰু পূৰ্ব্বজ্ঞান অনুসাৰে শোধাই দিয়া হলত, তোমালোকে অধৰ্ম্মীবোৰৰ হতুৱাই সলীবত দি বধ কৰালা। কিন্তু আল্লাহে তেওঁক মৃত্যু-যন্ত্ৰনাৰ পৰা মুক্ত কৰি পুনৰায় তুলিলে। কিয়নো তেওঁৰ মৃত্যু-বন্ধনত থকা অসাধ্য।”*(চাহাবীসকলৰ কাৰ্য্য ২ঃ২২-২৪ আয়াত)

**গ) ঈছা-মছীহৰ নিজস্য ঘোষণা ঃ** মছীহৰ ইঞ্জিল লেখক সকলে বৰ্ণনা কৰে যে, মছীহে প্ৰায়েই তেওঁৰ সলীব-মৃত্যু, পুনৰুত্থান আৰু সকলোৰে নাজাতৰ বাবে তেওঁৰ মৃত্যু প্ৰয়োজনীয় আছিল বুলি উল্লেখ কৰিছিল। তলৰ বৰ্ণনালৈ মন দিয়কঃ

*“ঈছা-মছীহে যিৰূচলেমলৈ যাত্ৰা কৰোতে তেওঁৰ বাৰজন চাহাবীক এফলীয়াকৈ নি বাটতে ক’লে,‘চোৱা, আমি যিৰূচালেমলৈ যাত্ৰা কৰিছো। তাতে মানুহৰ পুত্ৰক প্ৰধান ইমাম আৰু আলেম সকলৰ হাতত শোধাই দিয়া হব। তেওঁলোকে তেওঁক প্ৰাণদণ্ডৰ আজ্ঞা দিব আৰু বিদ্ৰুপ কৰি আৰু চাবুকেৰে কোবাই সলীবত দিবলৈ অচুন্নৎহঁতৰ হাতত শোধাই দিব আৰু তিনি দিনৰ দিনা তেওঁক তোলা হব।”*(মথি ২০ঃ১৭-১৯ আয়াত)

**ঘ) মছীহি ইমানদাৰ সকলৰ আজীৱন সাক্ষ্য ঃ** মছীহি ঈমানদাৰ সকলে আৰম্ভণিৰ পৰাই শেষ নৈশ ভোজ”ৰ পৰ্ব পালন কৰি আহিছে। ইয়াক মছীহিসকলৰ এটি বিশেষ ভোজ বুলিও কোৱা হয়। প্ৰতাৰিত হোৱা নিশাই মছীহে এই হুকুম চাহাবী সকলক দিছিল। মছীহক স্মৰণ কৰিবলৈ চাহাবীসকলক এই পৰ্ব ভক্তিসহ পালন কৰিবলৈ কোৱা হৈছিল। *“তেতিয়া মছীহে চাহাবীসকলক ক’লে, মোৰ দুঃখ-ভোগৰ আগেয়ে তোমালোকৰ সৈতে ইদুল -ফেছাকৰ ভোজ খাবলৈ ইচ্ছা কৰিলো। কিয়নো মই তোমালোকক কও,খোদাৰ ৰাজ্যত এয়ে সিদ্ধ নহয় মানলৈকে মই তাক আৰু নাখাওঁ। পাছে তেওঁ পান-পাত্ৰ গ্ৰহণ কৰিলে আৰু মুনাজাত কৰি ক’লৈ, ইয়াকলৈ তোমালোকৰ মাজত ভাগ কৰা। কিয়নো মই তোমালোকক কওঁ, খোদাৰ ৰাজ্য নহালৈকে মই এতিয়াৰ পৰা আৰু আঙুৰৰ ৰস পান নকৰো। আৰু ৰুটি লৈ তেওঁ মুনাজাত কৰি তাক ভাঙি তেওঁলোকক দি কলে, এয়ে তোমালোকৰ নিমিত্তে দান কৰা মোৰ শৰীৰ, মোক স্মৰণ কৰিবলৈ ইয়াকে কৰা।”*(লূক ২২ঃ১৫-১৯ আয়াত)

মছীহে নিশ্চিতভাবে কৈছিল যে, মানুহ জাতিৰ পাপৰ প্ৰায়চিত্ত কৰিবলৈহে নিজকে



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com